# ASSAM
# LEGISLATIVE ASSEMBLY
# DEBATES

सत्यमेव जयते

## OFFICIAL REPORT

FIFTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE TENTH GENERAL ELECTIONS UNDER SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA.

## DECEMBER SESSION

### NO. 1

**THE 26th DECEMBER, 1997**

PRICE : Rs. 30.75/-

# CONTENTS

## DECEMBER SESSION

## NO. 1

***Dated, the 26th DECEMBER, 1997***


| | | Page |
|---|---|---|
| 1. | *Questions and Answers* | 1 |
| 2. | *Discusssion During Zero Hour* | 46 |
| 3. | *Notice of No-Confidence Motion* | 50 |
| 4. | *Notice of Censure Motion* | 51 |
| 5. | *Report of the Business Advisory Committee* | 52 |
| 6. | *Call Attention Notice* | 53 |
| 7. | *Matter Under Rule 301* | 58 |
| 8. | *Laying of Statement, Notification and Rules* | 59 |
| 9. | *Presentation of List of Supplementary Demands For Grants and Supplementary Appropriations* | 60 |
| 10. | *Presentation of Reports of the Legislature Committee* | 60 |
| 11. | *Introduction of Government Bills* | 61 |
| 12. | *Government Resolution* | 61 |
| 13. | *Obituary References* | 62 |
| 14. | *Adjournment Motion* | 65 |
| 15. | *Annexures [I to V(B)]* | 66 |

# Debates of the Assam Legislative Assembly

**Friday, the 26th December, 1997**

**The House met at 8.30 A.M. of the clock in the Assembly Chamber, at Dispur with Mr. Ganesh Kutum, Speaker in the chair.**

## STARRED QUESTIONS & ANSWERS

## (To which oral replies were given)

* ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে ঃ মাননীয় অধ্যক্ষ মহোদয়, পইন্ট অব অৰ্ডাৰ। ইতিমধ্যে মই আপোনাৰ পৰা এখন চিঠি পাইছো। ১৫ টা তাৰাংকিত প্ৰশ্নৰ সংক্ৰান্তত। কিন্তু ঘটনা ঘটাৰ আৰু মই কোৰেশ্যন দিয়াৰ আগতেই 55 person were killed due to some mischievious reason মৰি গল। এইটো পি,ডাব্লিউ,দি বিভাগৰ খাম খেয়ালীৰ কাৰণেই হৈছে এই কথা বিভাগে নাজানে। গতিকে মই মুখ্যমন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো।

**Mr. Speaker** : The Question is deferred to next Budget Session and due priority will be given on this and it will not be given on this and it will not be allowed for lottery. Now, Starred Question No.1

**বিষয় ঃ ৩০খন বিচনাযুক্ত চিকিৎসালয়।**

**শ্ৰী ৰাজেদ আলী চৌধুৰীয়ে সুধিছে ঃ**

* ১। মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ৰাজ্যখনত মুঠ কিমান সংখ্যক ত্ৰিশখন বিচনাযুক্ত চিকিৎসালয় আছে?

(খ) মুঠ কিমান সংখ্যক ত্ৰিশখন বিচনাযুক্ত চিকিৎসালয়ত বিদ্যুৎ আৰু পানী যোগান নাই?

**ডাঃ কমলা কলিতা (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) ১০০ খন ত্ৰিশখন বিচনাযুক্ত চিকিৎসালয় আছে।

(খ) ৯ খন ত্ৰিশখন বিচনাযুক্ত চিকিৎসালয়ত বিদ্যুৎ আৰু পানীৰ নিয়মীয়া যোগান নাই।

✯ Speach not corrected

* **শ্ৰী ৰাজেদ আলী চৌধুৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে যে, ৯ খন ৩০ খন বিচনাযুক্ত চিকিৎসালয়ত বিদ্যুৎ যোগান আৰু পানী যোগানৰ কোনো ব্যৱস্থা নাই। সেই কেইটা হস্পিতালৰ নাম কেইটা জনাবনে? লগতে সেই কেইখন চিকিৎসালয়ত কেতিয়াৰ পৰা বিদ্যুৎ আৰু পানী যোগানৰ ব্যৱস্থা কৰিব জনাবনে?

* **ডাঃ কমলা কলিতা (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই ৯ খন ৩০ খন বিচনাযুক্ত হস্পিতাল হল ডিব্ৰুগড়, নাহৰকটীয়া, কোকৰাঝাৰ, বেংতল, বৰহোলা, ধেমাজী, উত্তৰ লক্ষীমপুৰ, শিলচৰ, জোনাই, চাউথ শালমৰা আদি। এই হস্পিতাল কেইখনত যিবিলাক আধৰুৱা কাম আছে সেইখিনি সম্পূৰ্ণ কৰাৰ বাবে আমি ব্যৱস্থা লৈছো। শুক্লা কমিচনৰ ৰিপোৰ্টৰ ভিত্তিত স্পেচিয়েল এচিচটেন্টৰ টকা পোৱা হৈছে আৰু আমি এই টকাৰে চিকিৎসালয়ৰ কাম সম্পূৰ্ণ কৰাৰ কাৰণে ব্যৱস্থা লৈছো।

* **শ্ৰী ভৰত চন্দ্ৰ নৰহ ঃ** অধ্যক্ষ মহোদয়, স্বাস্থ্য মন্ত্ৰীয়ে যি ৯ খন ৩০ খন বিচনাযুক্ত হস্পিতালৰ কথা কৈছে তাৰ ভিতৰত ঘিলামৰা হস্পিতাল অনুস্থানিক ভাবে মুকলি কৰা হৈছে আৰু এক্সৰে মেচিনো অনা হৈছে। কিন্তু বিদ্যুৎ আৰু পানী যোগান নথকাৰ বাবে এক্সৰে মেচিন এনেয়ে পৰি আছে। ঢকুৱাখানা হস্পিতালৰ নাম নোসোমাল। বেংতল আৰু কোকৰাঝাৰৰ হস্পিতালৰ কথা কৈছে কিন্তু তাত ডাক্তৰ নিয়োগ কৰা হৈছে আৰু ৰোগীৰ চিকিৎসা কৰি থকা হৈছে। বিদ্যুৎ যোগান আৰু পানী যোগানৰ অভাৱত ঘিলামৰা আৰু ঢকুৱাখানাত কি অৱস্থা হৈছে? তাত সন্তান প্ৰসৱৰ কাৰণে মমবাতি জ্বলাই অপাৰেচন কৰিবলগা হৈছে। গতিকে এই ৯ খন হস্পিতালত বিদ্যুৎ আৰু পানী যোগানৰ বাবে নিৰ্দ্দিষ্ট সময় বান্ধি দিবনে?

* **ডাঃ কমলা কলিতা (মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, এই সকলোবিলাক অৰ্থৰ ওপৰত নিৰ্ভৰ কৰে। এই ৯ খন হস্পিতালৰ কাম ফাংচনিং হৈ আছে। তাৰ বাহিৰেও অসম্পূৰ্ণ হস্পিতাল আৰু ৪৮ খন আছে। এইবিলাক হস্পিতাল ভোট পোৱাৰ আশাত পুৰ্বৰ চৰকাৰেই কৰি গৈছে। গতিকে শুক্লা কমিচনৰ ৰিপোৰ্টৰ ভিত্তিত যি স্পেচিয়েল এচিচটেন্ট পোৱা হব সেই টকাৰে এই কাম বিলাক কৰা হব।

* **ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে ঃ** মন্ত্ৰী মহোদয়ে জনাবনে যিবিলাক হস্পিতালত বিদ্যুৎ আৰু পানী যোগান নাই সেইবিলাকৰ বাবে স্বাস্থ্য বিভাগৰ পৰা টকা জমা কৰা হৈছে?

* **ডাঃ কমলা কলিতা (মন্ত্ৰী) ঃ** অধক্ষ্য মহোদয়, টকা জমা কৰা হলে ইমান দিনে কাম হৈ গল হয়। টকা জমা নোহোৱাৰ কাৰণেহে কাম হোৱা নাই।

* **ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে ঃ** মই জানিব বিচাৰিছো যে Are you sure that the money was not deposited in the respective department?

---

* Speach not corrected

* ডাঃ কমলা কলিতা (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, মই সদনত যিটো কথা কৈছো সেইটো তথ্যৰ ওপৰত ভিত্তি কৰি কৈছো।

* শ্ৰী মোক্তাদিৰ চৌধুৰী ঃ ৩০ খন বিচনাযুক্ত হস্পিতালৰ ভিতৰত কিমান খনৰ কন্সট্ৰাকচন হৈ আছে? চৰকাৰৰ মাষ্টাৰ প্লেন আছেনে? কত কত পি,এইচ,চি আৰু কত কত চি,এইচ,চি হব?

* ডাঃ কমলা কলিতা (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, মাষ্টাৰ প্লেন নাছিল এতিয়া আমি প্ৰস্তুত কৰিছো। মাষ্টাৰ প্লেন কৰি পি,এইচ,চি আৰু চি,এইচ,চি কিমান আছে আৰু গেপ কিমান আছে এইটো উলিয়াই ৰাজ্যখনৰ মেপ ইতিমধ্যে প্ৰস্তুত কৰা হৈছে। তাৰ ভিতৰত ফিজিকেল গেপ চাৰ চেন্টাৰৰ ২৭৩০, পি,এইচ,চিৰ ৪৪৫, চি,এইচ,চিৰ ১১৪ খন পাইছো। এই প্লেন ৰাজ্যখনৰ প্ৰয়োজনৰ ভিত্তিত কৰা হৈছে। আৰু কন্সট্ৰাকচনৰ কাম কৰাৰ বাবে ব্যৱস্থা লোৱা হৈছে।

* মোস্তাফা শ্বহিদুল ইচলাম ঃ মৈৰাবাৰী হস্পিতালত এক্সৰে মেচিন নাই। আৰু কিমান হস্পিতালত এই মেচিন নাই জনাবনে?

* ডাঃ কমলা কলিতা (মন্ত্ৰী) ঃ আমি ৩০ খন হস্পিতালত পৰ্য্যায়ক্ৰমে এক্সৰে মেচিন আৰু ক্লিনিকেল লেবৰেটৰি স্থাপন কৰাৰ কাৰণে ব্যৱস্থা লোৱা হৈছে। কিছু সংখ্যক হস্পিতালত এই কাম সম্পূৰ্ণ আৰু কিছু সংখ্যকত এই কাম বাকী আছে। সেইখিনি কৰাৰ বাবে ব্যৱস্থা লোৱা হৈছে।

**Mr. Speaker :** Now Starred Question No.2, Hon'ble Member Shri Bimolangshu Roy.

## : Improvement of Silchar-Hailakandi Road.

**Bimolangshu Roy asked :**

* 2. Will the Minister of P.W.D. be pleased to state :

(a) Is it a fact that Silchar-Hailakandi Road, which passes through R.E.C, S.M.C.H and Assam University is in a very bad shape with its breadth very narrow, bridges and culvert being very vulnerable?

(b) Is it a fact that survey was of late conducted under the World Bank programme for improvement of the said road considering its importance?

(c) Is it a fact that the said road for reasons unknown have been dropped from World Bank programme?

---

* Speach not corrected

(d) If so, why? If not, when is expected to commence?

**Shri Atul Bora (Minister, P.W.D.) replied :**

(a) No, the road is in fair condition and bridges and culverts are also functional. The road is single lane.

(b) Yes.

(c) The unit of construction/improvement of road and unit cost for replacement of existing bridges have exceeded the permissible unit cost indicated by the World Bank. The total estimated cost of the road and bridges on this road has therfore become prohibitive for taking up this road under ARIASP as per the total permissible financial assistance under ARIASP. This road is however proposed to be taken up under a separate World Bank loan assistance programme.

(d) Position is explained in (c) above.

* **Shri Bimolangshu Roy :** Mr. Speaker Sir, the Hon'ble Minister has stated that the road is in a fair condition and the bridges and culverts are functioning. Sir, I want to know is the Minister aware that on the 14th of August last the students of the R.E.C., S.M.C.H and the Assam University resorted to strike due to collapse of the bridge near R.E.C. and they refused to observe 15th August and the Golden Jubilee Celebration in the University Campus? But the Minister has stated that the road and the bridge are functioning whereas the bridge the bridges collapsed near the R.E.C. for which the students resorted to Day on 15th August?

* **Shri Atul Bora (Minister) :** Mr. Speaker Sir, we have no such information. But I can asure that the road can be improves under the World Bank Scheme. Under this scheme we will be able to construct the culvert and the road also. I have understood the problem that an accident took place. Let us wait. We are trying to improve the road because there is some provision under the Scheme of the World Bank and the road crossing the R.E.C. has been included in the Scheme. Next time we will get another scheme and then we will see the whole matter.

---

* Speach not corrected

* **Shri Bimolanshu Roy :** Sir, the road is very much important road which is crossing through R.E.C. S.M.C.H and the Assam University Campus. While the Minister said that this road will be included in the World Bank Scheme may I know the Hon'ble Minister the estimated amount will cover the expenditure and what is the estimated cost of the road, because the survey was already conducted in the mean time. So I want to know what, according to the survey report, is the need prescribed by the World Bank scheme and what is the permissible limit and what sort of improvement is required for this improtant road.

* **Shri Atul Bora (Minister, P.W.D.) :** I agree that this is a very very important road but we cannot include this road in the scheme because for travel road we can spend only 7 lakhs and for bridges only 20.9 lakhs. These are the norms of the World Bank Scheme. I am quite aware that this road is a very important road. So, I request the Hon'ble Member to please wait and see if the financial condition improves.

* **Shri Bimolanshu Roy :** Sir ,I want to know whether estimate has been prepared and what is the need prescribed by the World Bank for this road and bridge.

* **Shri Atul Bora (Minister, P.W.D) :** Sir , I have told just now that for a gravel road it required Rs.7.8 lakhs and for black topping it required 11.7 lakhs. This is the provision as prescribed by World Bank for construction of roads and bridges.

* **Shri Bimolanshu Roy :** Sir, may I know when it will be cleared. Is there any possibility of taking up this road at an early date.

* **Shri Atul Bora (Minister, P.W.D) :** I will take this in the next financial year.

* শ্ৰী ভৰত নৰহ ঃ বিশ্ব বেংক সাহাৰ্য্য অঁচনিত প্ৰথম পৰ্য্যায়ত ৬ খন জিলা অৰ্ন্তভুক্ত কৰা হৈছিল। তাৰ ভিতৰত লক্ষিমপুৰ জিলাও আছে। মই জনামতে গণ পৰিষদ চৰকাৰ ক্ষমতালৈ অহাৰ পিছত ৬ খন জিলাৰ সালসলনি কৰিছে আৰু লক্ষিমপুৰ জিলা ড্ৰপ পৰিছে। উক্ত আঁচনিত ৫/৬ খন জিলা কি ভিত্তিত লোৱা হৈছে?

* শ্ৰী অতুল বৰা (গড়কাপ্তানী মন্ত্ৰী) ঃ এই ৬ খন জিলাৰ ভিতৰত লক্ষীমপুৰ ধুনীয়াকৈ সোমাই আছে।

* Speach not corrected

**Mr. Speaker :** Now Starred Question No.3, Hon'ble Member Shri Sukhendu Shekhar Dutta.

## Re : R.C.C. Bridge at Patharkandi.

**Shri Sukhendu Shekhar Dutta asked,**

* 3. Will the Minister of P.W.D. be pleased to state:

(a) Whether the Govt. is aware of the fact that one very important R.C.C.Bridge on Patharkandi-Mokamtilla road (in front of Forest Range Office) has been kept closed for more than 10 years?

(b) Whether the Governmment is aware of the fact that this road has industrial as well as strategic importance?

(c) Whether the Governmment will take a decision on priority basis restoration of the Bridge?

* **Shri Atul Bora (Minister, P.W.D), replied :**

(a) Yes.

(b) Yes.

(c) Yes, it is under active consideration subject to availability of fund.

* **Shri Sukhendu Shekhar Dutta :** Mr. Speaker Sir, Hon'ble Minister has just stated that the Government is aware of the fact that the R.C.C. Bridge on Patharkandi-Mokamtilla area has been closed for more than 10 years and also the fact that the road has industrial as well as stragetic importance. Sir, it is a fact that this road is a very very vital road having strategic importance as well as industrial importance. Because these area is covered by tea gardens. There are some tea gardens who carrying their products through this roads. Now their crossing has been cautioned and for that reason they are to move through other roads for which extra cost they are to incur. So, their cost of production has increased. Moreover, this is international border roads and this is very much vulnerable from the standpoint of defences, and for that reason this is a very much important road. More than once this road was damaged by the river where the bridge is situated. Sir, the people wanted to know from us what we are

doing here relating to the restoration of this bridge which remained closed for the last 10 years. We understand they have prepared estimate for repairing the bridge at Rs. 10 lakhs. This road must be repaired and whether the bridge will be restored that I want to know. But it apprears nobody is taking interest for the last 10 years. It is a very serious question before the people. So, I want to know from the Hon'ble minister whether restoration of this road will be done at the earliest possible time?

* **Shri Atul Bora (Minister, P.W.D)** : As soon as the fund will be available restoration will be done. But I donot know when the fund be avaiable.

* **Shri Sukhendu Shekhar Dutta** : May I know the fund will be made available, will the minister give an assurance?

* **Shri Atul Bora (Minister)** : The estimates are done under Border Road Development Scheme and we are waiting for sanction as soon as sanction is received from the Border Road Development execution of this scheme will start.

* **Shri Sukhendu Shekhar Dutta** : We hope the Minister will see to obtain the sanction at the earliest possible time because this is immediately needed.

* **Shri Gautom Roy** : Mr. Speaker Sir, may I know from the Hon'ble Minister, PWD that in my constituency at Katlicherra where road including a bridge was constructing and the work was going on in full swing but abruptly the work has been stopped perhaps due to elections Commission notification. It appears that more than 50% of the work has already been completed. It is a on going scheme and suddenly it has been stopped, whethr the Hon'ble Minister, PWD is taking any steps taking the shelter of the high court for restoration of the work so as to save the people from immense sufferings. It is a very serious matter.

* **Shri Atul Bora (Minister, PWD)** : Sir, at the moment I donot have such instruction from the Election Commission on this and I cannot say just now. Tomorrow or day after tomorrow. I can personally reply to the questionaire.

(Starred question No.4 was not taken up for disposal as the questioner was not present in the House. When called for However, The said question deemed to have been lapsed)

## Re : Construction works of Hospital Building.

**Shri Abu Saleh Najmuddin asked :**

* 4. Will the Minister of P.W.D. be pleased to state :

(a) When the construction works of Hospital Building of Kaliganj 30 badded Hospital (District Karimganj) will be started?

* **Shri Atul Bora (Minister, P.W.D.) replied,**

(a) Works of main Hospital Building is expected to commence within March, 1998.

**Mr. Speaker :** Now starred question No.5, Hon'ble member Shri Samarjit Halflongbar.

## Re : Posting of Doctors in Halflong C.H.

**Shri Samarjit Halflongbar asked,**

* 5. Will the Minister of Health & Family Welfare be pleased to state:

(a) How many surgeon and specialists doctors are there in Halflong Civil Hospital?

(b) If there is none, why the Government is not taking any initiative for posting of surgeon and specialists doctor in Halflong Ciivil Hospital?

(c) If the Government is taking steps, then when they will be posted? (Please give details)

* **Dr. Kamala Kalita (Minister, Health & F.W. Assam) replied:**

(a) One surgen has been recently posted and three specialists doctors are already there.

(b) Does not arise.

(c) Does not arise.

* **Shri Samarjit Halflongbar :** Hon'ble speaker Sir, Hon'ble Minister, Health has replied that three specialists doctors have been posted in Halflong Civil Hospital but so far I know only one specialists doctor i.e. Gynacologist is there and no other specialists is there. There is no

specialists surgeon this is a very buning problem and the people of the area are suffering for this and they are to go outside for even minor operation. So, I would like to request the Hon'ble Minister, Health whether Govt. will take any initiative for posting of general Surgeon immediately and if then when.

* **Dr. Kamala Kalita (Minister, Health & F.W.) :** Hon'ble Speaker Sir, it is a fact that there is shortage of speacialists in Halflong Civil Hospital but so far my information there are three speacialists doctors working there, one is Anaesthesia, one is Gynaecologists and one is medicine speacialist. However one surgeon has already been posted and his joining report has not yet become received and definitely Govt. will take action to at least make him joining in Halflong Civil Hospital.

* শ্ৰী হলিৰাম টেৰাং ঃ মাননীয় অধ্যক্ষ মহোদয়, চৰকাৰী নিয়মমতে এই চিভিল হস্পিতাল হাফলঙত কিমানজন ডাক্তৰ থাকিব লাগিছিল আৰু বৰ্ত্তমান কিমানজন আছে?

* ডাঃ কমলা কলিতা (স্বাস্থ্য মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, হাফলং চিভিল হস্পিতালত নিয়ম অনুসৰি ২১ জন ডিফাৰেন্ট কেট'গৰিৰ ডাক্তৰ থাকিব লাগে। তাৰ ভিতৰত ১৪ জনে কাম কৰি আছে। দুজনক নিযুক্তি দিয়া হৈছে। আৰু পাচটা পোষ্ট খালি আছে।

* শ্ৰী হলিৰাম টেৰাং ঃ মাননীয় স্বাস্থ্য মন্ত্ৰী ডাঙৰীয়াই এই কথা জানে নে এই বছৰৰ জানুৱাৰী মাহত মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে হাফলঙত ৰাজহুৱা ভাৱে প্ৰতিশ্ৰুতি দিছিল যে মাৰ্চ মাহৰ ভিতৰতে অন্যান্য কথাৰ লগতে ডাক্তৰ কিমানখিনি প্ৰয়োজন আছে নিযুক্তি দিয়া হ'ব?

* ডাঃ কমলা কলিতা (স্বাস্থ্য মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে দিয়া প্ৰতিশ্ৰুতি মই জানো। সেই মৰ্মে এই পোষ্টত ডাক্তৰ নিযুক্তি দিয়া হৈছে। ইয়াৰ আগতে তাত ডাক্তৰ বহুত কম আছিল। আৰু এতিয়া প্ৰায়খিনিৰে পূৰ কৰা হৈছে। প্ৰমোচনেল পোষ্ট পোনপটীয়াকৈ পূৰণ কৰিব নোৱাৰি। গ্ৰেডেচন লিষ্ট প্ৰস্তুত কৰি থকা হৈছে। বাকী থকা পাচটা পোষ্ট শীঘ্ৰে পূৰণ কৰাৰ কাৰণে ব্যৱস্থা লোৱা হৈছে।

* ডাঃ অৰ্ধেন্দু কুমাৰ দে ঃ হাফলং চিভিল হস্পিতালত ডাৰ্থ অৱ স্পেচিয়েলিষ্টৰ কাৰণে এইটো হৈছে নে আন কিবা কাৰণত হৈছে?

* ডাঃ কমলা কলিতা (স্বাস্থ্য মন্ত্ৰী) ঃ মাননীয় সদস্য গৰাকীয়ে জানে যে ডাৰ্থ অৱ স্পেচিয়েলিষ্ট নোহোৱা নহয়। কিছুমান চিভিল হস্পিতাল এনেকুৱা কিছুমান ঠাইত চিকিৎসক সকল তালৈ যাবলৈ নিবিচাৰে। আমি পঠাবলৈ চেষ্টা কৰিছো। চৰকাৰৰ ফালৰ পৰা চেষ্টাৰ আমি ক্ৰুটি কৰা নাই।

* Speach not corrected

* ডাঃ অৰ্ধেন্দু কুমাৰ দে ঃ মাননীয় অধ্যক্ষ মহোদয়, আমি জানো যে জনসাধাৰণৰ নূন্যতম সুবিধাখিনিৰ কাৰণে স্পেচিয়েলিষ্টৰ প্ৰয়োজন। এই স্পেচিয়েলিষ্টবিলাকৰ ভিতৰত গাইনী, মেডিচিন আৰু আই বিভাগৰ অতি প্ৰয়োজন। এই বিলাক দিয়াৰ কাৰণে মন্ত্ৰী মহোদয়ে কি ধৰণৰ ব্যৱস্থা হাতত লৈছে। তেখেতে যোৱা দুবছৰ আগতে কৈছিল যে মই এই ব্যৱস্থা কৰিমেই। তেতিয়া আমি ভাবিছিলো যে কিবা এটা নতুনত্ব আহিব। কিন্তু আমি আজিলৈ তাৰ কোনো সম্ভাৱনা দেখা নাই।

* ডাঃ কমলা কলিতা (স্বাস্থ্য মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য জনৰ চাৰ্টিফিকেট মোক নালাগে। তেখেতে বোধহয় নাজানে যে আমাৰ চৰকাৰৰ দুবছৰ হোৱাই নাই। গতিকে তেখেতৰ প্ৰশ্নটো অসত্য প্ৰমাণিত হৈছে। চাৰ্জন পোষ্টিং কৰা হৈছে কিন্তু জইনিং ৰিপৰ্টি পোৱা নাই। মাননীয় সদস্য জনে দহবছৰ পিচত এনে এটা প্ৰশ্ন কৰক।

* শ্ৰী শৰৎ বৰকটকী ঃ মাননীয় অধ্যক্ষ মহোদয়, সোণাৰী হস্পিতালত চকুৰ ডাক্তৰ আছে, কিন্তু তাত সেই বিভাগৰ ইনচট্ৰুমেন্ট নাই। মাননীয় মন্ত্ৰীয়ে ব্যৱস্থা কৰিব নেকি?

* ডাঃ কমলা কলিতা (স্বাস্থ্য মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীৰ প্ৰশ্নটো হাফলং চিভিল হস্পিতাল সম্পৰ্কিত নহয়।

**Mr. Speaker :** Now Starred Question No.6, Hon'ble Member Smti. Pranati Phukan.

বিষয় ঃ পথৰ জৰাজীৰ্ণ অৱস্থা।

শ্ৰীমতী প্ৰণতি ফুকনে সুধিছে ঃ

* ৬। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) নাহৰকটীয়া সমষ্টিৰ মূল পথবোৰৰ অৱস্থা যে একেবাৰেই জৰাজীৰ্ণ এই বিষয়ে চৰকাৰ অৱগত নে?

(খ) যদি অৱগত, এই পথ সমূহ নিৰ্মাণৰ ব্যৱস্থা কৰিবনে?

(গ) যদি কৰে, কেতিয়াৰ পৰা আৰম্ভ কৰিব?

শ্ৰী অতুল বৰা (মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) হয়, অৱগত।

(খ) হয়, টকাৰ আৱন্টনৰ সাপেক্ষে বিহীত ব্যৱস্থা লোৱা হব।

---

* Speach not corrected

(গ) কিছু ৰাস্তাৰ কাম ইতিমধ্যে লোৱা হৈছে আৰু অধিক টকাৰ আবন্টন পালে বাকীবোৰৰ কামো পৰ্য্যায়ক্ৰমে হাতত লোৱা হব।

* শ্ৰী প্ৰনতি ফুকন ঃ মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে জনাব নেকি যে কোন কেইটা ৰাস্তা নিৰ্মাণৰ কাৰণে হাতত লৈছে।

* শ্ৰী অতুল বৰা (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, এই ৰাষ্টাকেইটাৰ ভিতৰত হৈছে - জইপুৰ আলি, টিংৰাই তিনআলি, মাধবপুৰ ৰোড এইটোত হৈছে ১৯ লাখ ৬৩ হাজাৰ। দ্বিতীয়তে হৈছে নাহৰকটীয়া জয়পুৰ আলি - ৬ লাখ। তৃতীয়তে হৈছে মৰাণ-নাহৰকটীয়া ৰোড - ৪ লাখ টকা। উষাপুৰ টিংৰাই টিপাম খাকিয়াল চুকানী বেলবাৰী আদি ধৰা হৈছে।

* শ্ৰীমতী প্ৰনতি ফুকন ঃ অধ্যক্ষ মহোদয়, টিংৰাই আদি যি বিলাক আলি ধৰিছে সেইবিলাক নাহৰকটীয়া সমষ্টিৰ অন্তৰ্গত নহয়। দুলীয়াজান সমষ্টিৰহে অন্তৰ্গত। মন্ত্ৰীয়ে কৈছে যে টকা হলেহে ৰাস্তাৰ কাম আৰম্ভ কৰিব পৰা হব। নাহৰকটীয়া মূল ৰাস্তাটো অসম চৰকাৰৰ টকাৰে নিৰ্মান হোৱা নাই। সেই ৰাস্তাটোত অইল ইণ্ডিয়াই যোৱা বছৰ ৬ লাখ টকা দিছে। বৰ্ত্তমানলৈ এই ৰাস্তাটোৰ কাম সম্পূৰ্ণ হোৱা নাই। গড়কাপ্তানি বিভাগলৈ ৰাস্তা নিৰ্মানৰ কাৰণে ওৱাল্ড বেংকৰ পৰা বা চেন্ট্ৰেল বেংকৰ পৰা বহু কোটি টকা আহে। কিন্তু আমি সদায়ে শুনিবলৈ পাও যে ৰাস্তাৰ কাৰণে টকা নাই। অইল ইণ্ডিয়াই টকা দিয়া সত্বেও গড়কাপ্তানি বিভাগে ৰাস্তা নিৰ্মান কৰাত কিয় হেমাহি কৰে। ইয়াৰ এটা ব্যৱস্থা গ্ৰহণ কৰিবনে?

* শ্ৰী অতুল বৰা (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, মাননীয় সদস্যা গৰাকীয়ে যিটো প্ৰশ্ন কৰিছে যে তেখেতৰ সমষ্টিত ৰাস্তা হোৱা নাই তাৰ উত্তৰত কও যে ইন্টাৰ ষ্টেট কওতে যেনেকৈ দুখন ৰাজ্যক বুজাই তেনেকৈ ইন্টাৰ কনষ্টিটুনেঞ্চিও দুটা সমষ্টিক বুজায়। এটা ৰাস্তা একেটা সমষ্টিতে নহয়। দুটা সমষ্টিও চুই যায়। সেই কাৰণে যিটো ৰাষ্টাৰ কাম হৈছে সেইটো আপোনাৰ সমষ্টিটো পৰিছে। আনটো কথা হৈছে যে অইলে ২৯ কোটি টকা দিছে। বিভাগীয় বিষয়াৰ যি হেমাহিৰ কথা কৈছে তেখেতে অভিযোগ দিলে আমি ব্যৱস্থা লম। টেণ্ডাৰ কল কৰা হৈছে ঠিকাদাৰ সকলে নিদিয়ে। ৯১ চিডিউলত তেওঁলোকে দিবলৈ ভয় কৰে। কাম নোহোৱা এইবিলাকো কাৰণ।

* শ্ৰীমতী প্ৰনতি ফুকন ঃ অধ্যক্ষ মহোদয়, এফ ডি আৰৰ কাম বন্ধ হৈ আছে। টিংৰাই ৰাস্তা দলঙৰ কাম আৰম্ভ হোৱা নাই। কিয় বন্ধ হৈ আছে জনাব নেকি।

* শ্ৰী অতুল বৰা (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, টিপাম - ফাকিয়াল ৰাস্তাৰ কাৰণে টকা দিয়া হৈছে ১৯৯৬-৯৭ৰ। কিয় কাম বন্ধ হৈ আছে অনুসন্ধান কৰিব লাগিব।

* শ্ৰী ভৰত চন্দ্ৰ নৰহ ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে কৈছে যে বিষয়া

---

* Speach not corrected

সকলে হেমাহি কৰিলে ব্যৱস্থা লব। আমাৰ ঘিলামৰা গড়কাপ্তানি বিভাগৰ বিষয়া সকলে হেমাহি কৰিছে। আমাৰ ঢকুৱাখানা - ঘিলামৰা ৰাস্তাৰ দলং নাই। ড্ৰিলিং কৰাৰ কাৰণে অইলে ৰাস্তাত কাঠৰ দলং নিৰ্মাণৰ আঁচনি লৈছে গড়কাপ্তানি বিভাগৰ কমিচনাৰ-চেক্ৰেটাৰীৰ লগত যোগাযোগ কৰাৰ আজি ডেৰ বছৰ হ'ল আজিলৈকে দলং আৰম্ভ কৰিব পৰা নাই। এই সম্পৰ্কত মন্ত্ৰী মহোদয়ে জনাব নেকি?

* **শ্ৰী অতুল বৰা (মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, ঘিলামৰা ডিভিজনৰ এক্সিকিউটিভ ইঞ্জিনিয়াৰ আৰু এচ,ডি,ওক চাচপেঞ্চ কৰা হৈছে। নতুন মানুহে যোগদান কৰা নাই। লক্ষীমপুৰক হেডকোৱাৰ্টাৰ কৰি ঘিলামৰা ডিভিজনত চাৰ্বলৈ দিয়া হৈছে। সোনকালে কাম কৰাৰ কাৰণে ডি,চিৰ লগতো যোগাযোগ কৰা হৈছে। নতুন কি ইমপ্ৰোভমেন্ট হৈছে জানিব পৰা হোৱা নাই।

* **শ্ৰী দিলীপ কুমাৰ শইকীয়া ঃ** মাননীয় অধ্যক্ষ মহোদয়, ঘিলামৰা ডিভিজনত ঠিকাদাৰে অভিযন্তাৰ টেবুলত ডেগাৰ থৈ বিল পাচ কৰাৰ কথা কয়। সেই ঠিকাদাৰ সকলক ব্লেক লিচটেড কৰিব লাগে। মন্ত্ৰীয়ে কৈছে ধেমাজিত ইঞ্জিনিয়াৰ দিব লাগে। তেতিয়া ধেমাজিত কোনো ঠিকাদাৰে দাদাগিৰি কৰিব নোৱাৰে। তাত ভূএগ্ৰা নামৰ ইঞ্জিনিয়াৰ জনক দিয়াৰ ব্যৱস্থা কৰিব নেকি? চৰকাৰে এফ ডি আৰৰ টকা যিবিলাক বিতৰণ কৰিছে তাৰ লিষ্ট মোৰ লগত আছে মই গাই দিব পাৰো। ধেমাজিত বানপানী হৈছে তাত ৩০ লাখ, যোৰহাটত ৩০ লাখ, ডিব্ৰুগড়ত ৩০ লাখ, নলবাৰীত ৩০ লাখ, বৰপেটাত ৩০ লাখ, শিৱসাগৰত ২০ লাখ, মৰিগাওঁত ১০ লাখ টকা দিছে। কিন্তু ১ কোটি টকা দিছে দৰং জিলাত অধ্যক্ষ মহোদয় দৰং জিলাত বানপানী হৈছে নেকি? এইটো 'ডিচক্ৰিমিনেশ্বণ' কিয় হবলৈ পালে? ইয়াৰ ব্যৱস্থা কৰিব নেকি? ১৮-৮-৯৭ৰ মিটিঙৰ মাইনুটচ্ মোৰ হাতত আছে। ইয়াৰ কিবা ব্যৱস্থা লব নেকি?

* **শ্ৰী অতুল বৰা (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰী দিলীপ শইকীয়া ডাঙৰীয়াই কি কথা কৈছে সেইটো মই মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ দৃষ্টি গোচৰ কৰিছো। বিষয়টোত মোৰো আপত্তি আছিল।

* **ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে ঃ** মাননীয় অধ্যক্ষ মহোদয় এইটা এটা চিৰিয়াচ এলিগেশ্যন। গতিকে কোনো এলটমেন্ট কৰিছে আৰু কি ধৰণে কৰিছে সেইটো আমি সদনে জনাটো অধিকাৰ আছে। গতিকে মাননীয় মুখ্যমন্ত্ৰী আৰু গড়কাপ্তানী মন্ত্ৰীয়ে জনাব লাগে।

* **শ্ৰী ভৰত চন্দ্ৰ নৰহ ঃ** মাননীয় অধ্যক্ষ মহোদয়। এফ ডি আৰৰ টকা বিতৰণত আমি সন্তুষ্ট নহয়, গতিকে এফ ডি আৰ পুনৰ আবন্তন কৰিব নেকি?

* **Shri Holiram Terang :** It is very very serious matter that Hon'ble Minister of the Govt. has expressed his dissatisfaction over the working of the

* Speach not corrected

Government officer and I believe, it is not the hand work of the Hon'ble Minister, P.W.D. Naturally, someone from relief Deptt. has done all the things. However, it is a very serious matter, So will the chief Minister reply to it.

* ডঃ জয়নাথ শৰ্ম্মা (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মই ৰিলিফ মিনিষ্টাৰ হিচাবে এফ ডি আৰৰ টকা বিতৰণৰ ক্ষেত্ৰত কব বিচাৰিছো। আমি ৫ কোটি টকা গড়কাপ্তানী বিভাগক দিছো। এতিয়া প্ৰশ্ন হৈছে ১ কোটি টকা দৰং জিলাত দিয়া বুলি কৈছে। কোনখন জিলাত কিমান দিছে সেইটো জিলা ভিত্তিত লিষ্ট নাই কাৰণে বুজাত অসুবিধা হৈছে। এইটো ইনফৰমেশ্যন ভুল হৈছে। কোনটো ৰাস্তাত কিমান দিয়া হৈছে সেইটো নজনাকৈ দিয়া কাৰণে ভুল হৈছে। মাননীয় শইকীয়া ডাঙৰীয়াই যিখন লিষ্ট শুনালে তাত সকলোকে সমানে দিয়া হৈছে। ১৯৯১ চনৰ পৰা আজিলৈকে কোন কোন ডিভিজনত কিমান টকা দিয়া হৈছে তাৰ বিচাৰ হব।

* শ্ৰী দিলীপ শইকীয়া ঃ মাননীয় অধ্যক্ষ মহোদয়, মোৰ হাতত মাইনিউট্‌চ্ খন আছে মই গাই দিম নেকি?

* শ্ৰী হেমেন দাস ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰীদ্বয়ে জনাব নেকি চৰকাৰৰ এফ ডি আৰৰ টকা বিলাক বান বিধ্বস্ত অঞ্চলত দিয়াৰ কাৰণে নে সকলোকে জনাবৰ কাৰণে।

* ডঃ জয়নাথ শৰ্ম্মা (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, বান বিধ্বস্ত নহলেও ৰেষ্টৰেশ্যন আৰু ৰিপিয়াৰিঙৰ কাৰণে টকা দিব পাৰি।

* শ্ৰী দিলীপ শইকীয়া ঃ মাননীয় অধ্যক্ষ মহোদয়, এই লিষ্ট খনত ১ কোটি আছে - এইখিনি অধ্যক্ষ মহোদয়ৰ টেবুলত দাখিল কৰিব বিচাৰিছো।

* শ্ৰী ভৰত চন্দ্ৰ নৰহ ঃ মাননীয় অধ্যক্ষ মহোদয়, ৰাজহ মন্ত্ৰীৰ উত্তৰ সত্য নহয়। এফ ডি আৰৰ টকা ৰাজহ বিভাগে এলটমেন্ট দিব পাৰে কিন্তু গড়কাপ্তানী বিভাগক কোন কোন ৰাস্তাত দিব সেইটো ডাইৰেকশ্যন দিব নোৱাৰে।

* শ্ৰী শৰৎ বৰকটকী ঃ মাননীয় অধ্যক্ষ মহোদয়, সাধাৰণতে এফ ডি আৰৰ টকা গড়কাপ্তানী বিভাগে ৰিকুজিশ্যন দিয়ে। সেই মতে গড়কাপ্তানী বিভাগক দিব লাগে।

* **Shri Holiram Terang :** Since the replyong a particular question, as it is a very serious matter and Minister, PWD has already expressed his dissafisfaction over the happenings so I request the Hon'ble Speaker to give another half an hour for the discussion.

* ডঃ জয়নাথ শৰ্ম্মা (ৰাজহ মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, কথাটো যিহেতু আমাৰ ডিপাৰ্টমেন্টক লৈ মোৰ বিষয়ে মাননীয় সদস্য গৰাকীয়ে উলিয়াইছে তথাপি মই উত্তৰটো দিছো কাৰণ কথাটোৰ

* Speach not corrected

প্ৰশ্ন বিলেচন আছিল পি,ডব্লিউ,ডিৰ লগত। মই আকৌ কৈছো আমি মিটিঙত শুদ্ধভাবে সিদ্ধান্ত লৈছো আৰু কৰবাত যদি কমিটেড এক্সপেনডিচাৰ আছে তেনেহলে সেই কমিটেড এক্সপেনডিচাৰ আমি দিছো আৰু এফ,ডি,আৰৰ পইচা ভগোৱা সম্পৰ্কত যি গাইড লাইন আছে চেন্ট্ৰেল গৰ্ভনমেন্টৰ সেই গাইড লাইনৰ ওপৰত ভিত্তি কৰি পইচা ভগোৱা হৈছে।

* **শ্ৰী ভৰত চন্দ্ৰ নৰহ ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই ক্ষেত্ৰত ইন্টাৰফেয়াৰ কৰা হৈছে।

* **শ্ৰী দিলীপ কুমাৰ শইকীয়া (বিধায়ক) ঃ** এই কথাটো সম্পৰ্কে অধ্যক্ষ মহোদয়ক গড়কাপ্তানী বিভাগৰ মন্ত্ৰীয়ে কব লাগে যে এফ,ডি,আৰৰ টকা ব্ৰেক টোপিং কৰিব পাৰে নেকি? ব্ৰেক টোপিংৰ যিখন লিষ্ট মই আপোনাক দিছো।

* **শ্ৰী অতুল বৰা (গড়কাপ্তানী মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ অসন্তুষ্টিৰ কথা প্ৰকাশ কৰি মই মুখ্যমন্ত্ৰীক চিঠি দিছো আৰু কেবিনেটত বিষয়টো আলোচনা হব লাগে বুলি মই আহ্বান জনাইছো। মোৰ কৰণীয়খিনি মই কৰিছো। এতিয়া মই ইয়াত চব কথা কব নোৱাৰো কাৰণ মই এজন কেবিনেট মন্ত্ৰী। মই চিফ মিনিষ্টাৰক আহ্বান জনাইছো যে এই বিষয়টো আলোচনা কৰাৰ বাবে কেবিনেটত এখন মিটিং দিব লাগে। ইয়াত আলোচনা কৰিব নালাগে। তাৰ পিছত যদি একো চেটেল্ নহয় তেতিয়াহলে ইয়াত আলোচনা কৰিব লাগে।

* **Shri Silvius Condpan :** Sir, I have a submission to make. It appears the House has, by now, come to know as to how the Government is functioning. It appears there is no coordination or understanding among them. Although the Hon'ble Minister, PWD has stated that he being a member of the cabinet cannot divulge everything before the House, but the fact remains that it has become a property of the House and Government has no right to conceal anything before the House. I am sorry to say this and I do not want or wish to make any aspertions against anybody. The only thing I want to say that the way the present Government is functioning cannot be praised. There is lot of misunderstanding amongst them. The concern and anxiety expressed by the Hon'ble Minister, PWD before the House should be taken note of. I feel the Hon'ble Speaker will see to that.

**মাননীয় অধ্যক্ষ ঃ** মই মাননীয় মুখ্যমন্ত্ৰীৰ লগত এই বিষয়ে আলোচনা কৰি সদনক জনাম।

**Mr. Speaker :** Now Starred Question No.2, Hon'ble Member Shri Abu Bakkar Siddque Jotdar.

---

* Speach not corrected

## বিষয় ঃ ৰাষ্ট্ৰীয় ঘাই পথৰ দুৰৱস্থা।

শ্ৰী আবুবক্কৰ ছিদ্দিক জোতদাৰে সুধিছে,

* ৭। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) ৰাষ্ট্ৰীয় ঘাই পথৰ ৫২ আৰু ৩৮ ৰ কোন কোন অংশ নষ্ট হৈছে?

(খ) নষ্ট বা বেয়া হোৱা ঘাই পথৰ অংশবোৰ মেৰামতিৰ বাবে কি কি ব্যৱস্থা হাতত লোৱা হৈছে?

শ্ৰী অতুল বৰা (মন্ত্ৰী), য়ে উত্তৰ দিছে ঃ

(ক) ৰাষ্ট্ৰীয় ঘাই পথ ৫২ নং আৰু ৩৮ নং ৰ মুঠ ১০২ কিঃ মিঃ বেয়া হৈছে। ইয়াৰ তালিকা সদনৰ মজিয়াত উপস্থাপন কৰা হৈছে।

(খ) ১৯৯৮-৯৯ চনৰ বাৰ্ষিক পৰিকল্পনাৰ শিতানত বেয়া হোৱা অংশ সমূহৰ সাময়িকী মেৰামতি (Periodical renewal) আৰু সাধাৰণ মেবামতিৰ কাম হাতত লোৱা হৈছে। বাকী অংশ পূঁজি সাপেক্ষে হাতত লোৱা হ'ব।

(১) ৫২ নং ৰাষ্ট্ৰীয় ঘাই পথৰ নষ্ট হোৱা অংশৰ তালিকা।

মুঠ কিঃ মিঃ - ৬৯

কিঃ মিঃ - ২৩, ৬৮, ৬৯, ৭১-৭৬, ৮৩-৮৫, ৯১, ৯৬-১০৪, ১০৬, ১০৯-১১১, ১৩৯-১৪৯, ১৬৪-১৬৭, ১৭১-১৭৫, ১৭৭, ১৭৮, ১৮০, ১৯১, ১৯৪, ১৯৫, ১৯৮, ১৯৯, ২০০, ২০১, ২০৬-২০৯, ২১৮-২২০, ২৩২, ২৯২, ২৯৩, ২৯৭ আৰু ৩২০

(২) ৩৮ নং ৰাষ্ট্ৰীয় ঘাই পথৰ নষ্ট হোৱা অংশৰ তালিকা।

মুঠ কিঃ মিঃ - ৩৩

কিঃ মিঃ - ১, ২, ৮-১০, ২২-৩০, ৩২, ৩৩, ৩৫, ৩৭-৪২, ৪৪-৪৮, ৫০, ৫১, ৫৩, ৫৫, ৫৬

* শ্ৰী আবুবক্কৰ ছিদ্দিক জোতদাৰ ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে কৈছে যে ৰাষ্ট্ৰীয় ঘাই পথসমূহৰ অৱস্থা খুউব বেয়া। যিখিনি বেয়া হৈ আছে সেইখিনিৰ সাময়িক মেৰামতি আৰু সাময়িক মেৰামতিৰ কাম কিমান দিনৰ ভিতৰত কৰা হ'ব আৰু কিমান টকা আবন্টন কৰা হ'ব? মন্ত্ৰী মহোদয়ে কৈছে যে পূঁজি সাপেক্ষেহে ব্যৱস্থা কৰা হ'ব। কথাটো আমি বুজি পোৱা নাই। মই ক'ব বিচাৰিছো যে ৰাষ্ট্ৰীয় ঘাই পথ নিৰ্মাণৰ কাৰণে কেন্দ্ৰীয় চৰকাৰে

* Speach not corrected

কিমান টকা মুকলি কৰি দিছে? বিভাগীয় মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি এই সদনতে উত্তৰ দিব নেকি?

* **শ্ৰী অতুল বৰা (গড়কাপ্তানী মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ৫২ নং ৰাষ্ট্ৰীয় ঘাই পথৰ কাৰণে প্ৰায় ৫২ কোটি টকাৰ এষ্টিমেট চাবমিট কৰা হৈছিল। তাৰ ভিতৰত ৩০ কোটি টকা ধৰা হৈছে আৰু এডিচনেল চাবমিট কৰাৰ কাৰণে প্ৰচেচও কৰা হৈছে। এই টকাখিনি নাপালে সাধাৰণ বেয়া অংশ মেৰামতি কৰিব পৰা নাযাব। এই বিষয়ে মিনিষ্ট্ৰি অব চাৰফেচ ট্ৰেন্সপৰ্টে বিভাগকো কোৱা হৈছে। আমাৰ বাজেট প্ৰভিজনৰ কাৰণে ৩৫ কোটি টকাৰ ঠাইত আৰু ৪৮ কোটি টকা ধৰা হ'ব। এতিয়া আমাৰ ২৮ কোটি টকা খৰচ হৈছে। ৭ কোটি টকা আৰু পাবলৈ বাকী আছে। বাজেটত টকাতো পাছ কৰি এই বছৰত বিত্ত বিভাগত চেংচন হোৱা ৩০ কোটি টকাৰে ৰাস্তাবোৰ মেৰামতি কৰি উন্নতি সাধন কৰা হ'ব বুলি এম, অ, এ, টি ৰ ওপৰত নিৰ্ভৰশীল হোৱা কাৰণেই পাৰ্ট টাইম কৰা হ'ব।

* **শ্ৰী আবুবক্কৰ ছিদ্দিক জোতদাৰ ঃ** মাননীয় অধ্যক্ষ মহোদয়, সাময়িক মেৰামতি আৰু সাধাৰণ মেৰামতি এই পথবোৰত বছৰে বছৰে কৰা হ'ব নেকি?

* **শ্ৰী অতুল বৰা (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ১৫ কোটি টকাৰ পৰা আমি ২৮ কোটি টকাহে খৰছৰ কাৰণে পাইছো। ৭ কোটি টকা আৰু পাবলৈ বাকী আছে। যদি অধিক ১০ কোটি টকা পোৱা যায় তেতিয়া হ'লে নেচনেল হাইওৱেত যথেষ্টখিনি কাম কৰিব পৰা যাব।

* **শ্ৰী দিলীপ কুমাৰ শইকীয়া ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইউটিলাইজেচন চাৰ্টিফিকেট নোপোৱাৰ কাৰণে সাময়িক মেৰামতিৰ কৰিবৰ বাবে যিখিনি টকা আছিল সেই টকাখিনি দ্ৰাইভাট কৰিছে। মই আগৰ দিনৰ কথাহে কৈ আছো। এম, অ', এচ, টি, এ তেওঁলোকৰ অনীহা প্ৰকাশ কৰে। মোৰ সমষ্টিৰ পৰা মাননীয় অধ্যক্ষ মহোদয়ৰ সমষ্টি গহপুৰৰ নেচনেল হাইওৱেৰ নষ্ট হোৱা পকাখিনি ৪-৫ ফুটকৈ দিব লাগে। সেইখিনি নিদি ২ফুটকৈ দিছে নেকি? ৰাষ্টাৰ নামত যিখিনি টকা খৰচ কৰিছে, সেইখিনিৰ যাতে সৎ ব্যৱহাৰ হয়। দুদিনৰ আগতে কৰা ঠাইখিনি পুনৰ নষ্ট হৈ গৈছে। গতিকে মাননীয় মন্ত্ৰী মহোদয়ে বিষয়টো তদন্ত কৰিবৰ কাৰণে অনুৰোধ জনালো।

* **শ্ৰী ভৰত চন্দ্ৰ নৰহ ঃ** মাননীয় অধ্যক্ষ মহোদয়, যোৱা বিধান সভাতো এই বিষয়ে উত্থাপন কৰা হৈছিল। বিশ্বনাথ চাৰিআলি আৰু নাৰায়ণপুৰৰ ঘাই পথবিলাক মেৰামতি কৰিবৰ বাবে চৰকাৰক জনোৱা হৈছিল কিন্তু আজি পৰ্য্যন্ত মেৰামতি কৰা হোৱা নাই। নষ্ট হোৱা পথৰ অংশবিলাক মেৰামতি কৰাই দিবৰ বাবে বিভাগীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনালো।

* **শ্ৰী অতুল বৰা (মন্ত্ৰী, গড়কাপ্তানী বিভাগ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই বিধান সভা শেষ হোৱাৰ পিচত উক্ত পথবিলাক চাবৰ কাৰণে মই যাম। আপোনালোকো লগতে ওলাব।

* Speach not corrected

**Mr. Speaker :** Now Question Hour is over.

(Starred Question Nos. 8 to 14 and 16 to 20 could not be taken up for disposal as the Question Hour was over. However, the replies of the said questions deemed to have been laid on the table of the house.)

## বিষয় ঃ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ।

শ্ৰী শুকুৰ আলী য়ে সুধিছে ঃ

* ৮। মাননীয় স্বাস্থ্য ও পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) ৰাজ্যখনত মুঠ কিমান সংখ্যক প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ আছে?

(খ) উক্ত স্বাস্থ্য কেন্দ্ৰৰ মুঠ কিমান সংখ্যক স্বাস্থ্য কেন্দ্ৰত গাড়ী দিয়া হৈছে?

ডাঃ কমলা কলিতা (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী), য়ে উত্তৰ দিছে ঃ

(ক) ৰাজ্যখনত মুঠ ৬১০ খন প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ আছে।

(খ) ইয়াৰে ১০০ খন স্বাস্থ্য কেন্দ্ৰত গাড়ীৰ ব্যৱস্থা আছে।

## বিষয় ঃ উগ্ৰপন্থীক সহায় কৰা বিষয়াৰ সংখ্যা।

শ্ৰী ভৰত চন্দ্ৰ নৰহে সুধিছে ঃ

* ৯। মাননীয় পৰিবহন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) উগ্ৰপন্থীক দান-বৰঙণি দিয়াৰ অভিযোগত পৰিবহন বিভাগৰ কোন কোন বিষয়াক জেৰা আৰু গ্ৰেপ্তাৰ কৰা হৈছে?

(খ) উক্ত বিষয়াসকলৰ কোন কোন বিষয়াক চাকৰিৰ পৰা নিলম্বিত কৰা হৈছে?

শ্ৰী প্ৰদীপ হাজৰিকা (পৰিবহন মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) উগ্ৰপন্থীক দান-বৰঙণি দিয়াৰ অভিযোগত পৰিবহন বিভাগৰ জেৰা আৰু গ্ৰেপ্তাৰ কৰা বিষয়া সকলৰ তালিকা লগত গাঁঠি দিয়া হ'ল। (See the Annexure-I)

(খ) চাকৰিৰ পৰা নিলম্বিত কৰা বিষয়া চাৰিজন হ'ল -

| | | | |
|---|---|---|---|
| ১) | শ্ৰী বেণী মাধৱ দলে | - | পৰিবহন উপায়ুক্ত |
| ২) | শ্ৰী হাচিল আলী চৌধুৰী | - | এনফোৰ্মেন্ট ইন্সপেক্টৰ |
| ৩) | শ্ৰী সুনিত কুমাৰ বৰা | - | ,, |
| ৪) | শ্ৰী গুণকান্ত বৰা | - | ,, |

## বিষয় ঃ পৰিবহন নিগমৰ বাছ্ চলাচল বন্ধ।

**শ্ৰী চন্দ্ৰকান্ত টেৰাংয়ে সুধিছে ঃ**

* ১০। মাননীয় পৰিবহন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) কাৰবি আংলং জিলাৰ ডিফু মহকুমাৰ হাওৰাঘাট টাউনৰ পৰা যোৱা কেইবা বছৰ ধৰি অসম ৰাজ্যিক পৰিবহন নিগমৰ গাড়ী চলোৱা বন্ধ হোৱাৰ কাৰণ কি?

(খ) উক্ত হাওৰাঘাট টাউনৰ পৰা অসম ৰাজ্যিক পৰিবহন নিগমৰ গাড়ী ডিফু, নগাও আৰু অসমৰ অন্যান্য ঠাইলৈ নিয়মীয়াকৈ বিভাগীয় গাড়ী চলোৱাৰ বাবে চৰকাৰে কি ব্যৱস্থা হাতত লৈছে?

**শ্ৰী প্ৰদীপ হাজৰিকা (পৰিবহন মন্ত্ৰী), য়ে উত্তৰ দিছে ঃ**

(ক) নিগমৰ বৰ্ত্তমানে চলি থকা আৰ্থিক সংকটৰ বাবে প্ৰয়োজনীয় সংখ্যক বাচ পথত চলাই ৰাখিব পৰা নাই। সেইবাবে কম উৰ্পাজিনক্ষম পথৰ কেতবোৰ সেৱা ইচ্ছা থকা স্বত্বেও বন্ধ ৰাখিব লগা হৈছে।

(খ) অৱস্থাৰ উন্নতি সাপেক্ষে এই বিষয়ে বিবেচনা কৰা হ'ব।

## বিষয় ঃ জনস্বাস্থ্য কাৰিকৰী সংমণ্ডলৰ কাৰ্য্যালয় স্থাপন।

**শ্ৰী শৰৎ বৰকটকী য়ে সুধিছে ঃ**

* ১১। মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) সোণাৰীত জনস্বাস্থ্য কাৰিকৰী সংমণ্ডলৰ কাৰ্য্যালয় স্থাপন কৰাৰ সিদ্ধান্ত লৈছেনে?

(খ) যদি লৈছে উক্ত কাৰ্য্যালয় কেতিয়া স্থাপন কৰিব?

**শ্ৰী উৎপল দত্ত (ৰাজ্যিক মন্ত্ৰী, জনস্বাস্থ্য কাৰিকৰী বিভাগ, স্বতন্ত্ৰ), য়ে উত্তৰ দিছে ঃ**

(ক) বৰ্ত্তমানে কোনো সিদ্ধান্ত লোৱা হোৱা নাই।

(খ) প্ৰশ্ন নুঠে।

## বিষয় ঃ পানী যোগান আঁচনি।

**ডাঃ নজৰুল ইছলামে সুধিছে ঃ**

* ১২। মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) ১৯৯৭-৯৮ চনৰ বিত্তীয় বছৰত মুঠ কিমান পাইপৰ পানী যোগান আঁচনি হাতত লৈছে?

(খ) উক্ত আঁচনিৰ মুঠ কিমান আঁচনিৰ কাম ইতিমধ্যে আৰম্ভ কৰা হৈছে?

শ্ৰী উৎপল দত্ত (ৰাজ্যিক মন্ত্ৰী, জনস্বাস্থ্য কাৰিকৰী বিভাগ, স্বতন্ত্ৰ), য়ে উত্তৰ দিছে,

(ক) ১৯৯৭-৯৮ চনৰ বিত্তীয় বছৰত বৰ্ত্তমানলৈকে কোনো আঁচনিৰ অনুমোদন হোৱা নাই।

(খ) প্ৰশ্ন নুঠে।

## বিষয় ঃ ৰাইজৰ দ্বাৰা বাহৰ সাঁকো নিমাৰ্ণ।

শ্ৰী নিজামুদ্দিন খানে সুধিছে ঃ

* ১৩। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) যোৱা ৪-৪-৯৭ তাৰিখত তৰাবিহীন প্ৰশ্ন নং ৭২৪ ৰ উত্তৰত "লোৱা হ'ব" বুলি প্ৰতিশ্ৰুতি দিয়া কথাটো সচাঁনে?

(খ) যদি সচাঁ, কি ব্যৱস্থা লোৱা হৈছে?

(গ) কয়াকুছি গাৱলীয়া ৰাষ্টা (Kayakuchi Village Road) ৰ 2nd K.M. ত দিয়া বাহৰ সাঁকো ৰাইজে নিমাৰ্ণ কৰাটো সচাঁনে?

(ঘ) যদি সচাঁ কি ভিত্তিত বিভাগে কাম নকৰাকৈ Bill পাছ কৰি টকা আদায় দিছে?

(ঙ) এই সৰ্ম্পকিত সংশ্লিষ্ট বিষয়া কৰ্মচাৰীৰ বিৰুদ্ধে কি ব্যৱস্থা লোৱা হৈছে?

শ্ৰী অতুল বৰা (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী), য়ে উত্তৰ দিছে ঃ

(ক) হয়, সচাঁ।

(খ) গড়কাপ্তানী (পথ) বিভাগৰ নলবাৰী চক্ৰৰ অধীক্ষক অভিযন্তাক এই বিষয়ে তদন্ত কৰিবলৈ নিৰ্দেশ দিয়া হৈছে।

(গ) সচাঁ নহয়।

(ঘ) প্ৰশ্ন নুঠে।

(ঙ) প্ৰশ্ন নুঠে।

## বিষয় ঃ অসমত AIDS ৰোগীৰ সংখ্যা।

শ্ৰী মুনিন মহন্তই সুধিছে ঃ

* ১৪। মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) অসমত AIDS ৰোগীৰ সংখ্যা বাঢ়ি যোৱাটো সত্য নেকি?

(খ) যদি সত্য হয়, AIDS ৰোগীক চিকিৎসাৰ বাবে গুৱাহাটী, ডিব্ৰুগড় বা শিলচৰত Expert AIDS Controling Centre গঢ়ি তোলা হৈছে নেকি?

(গ) যদি হোৱা নাই, এই সন্দৰ্ভত কি ব্যৱস্থা লোৱাৰ বাবে চিন্তা কৰিছে জনাবনেকি?

ডাঃ কমলা কলিতা (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী), য়ে উত্তৰ দিছে ঃ

(ক) হয়, সত্য।

(খ) হয়, হৈছে।

(গ) প্ৰশ্ন নুঠে।

**(Starred question no.15 was deffered)**

## Re : Vacant seats in 1st year M.B.B.S. Class.

**Shri Bhimananda Tanti asked,**

* 16. Will the Minister of Health & Family Welfare be pleased to state:

(a) Whether it is a fact that some seats are lying vacant in the first year M.B.B.S. Class in different Medical Colleges of the State?

(b) If so, what is the reason therof?

(c) When Government is going to fill up seats?

**Dr. Kamala Kalita (Minister of Health & Family Welfare), replied:**

(a) Yes, in 1996-97 batch.

(b) Due to surrender of seats by All India Quota students & pending Court cases.

(c) Since 1996-97 batch course started in March'97 it is not considered desirable to admit a few more students at this stage on these vacant seats.

## Re : Dulani River R.C.C. Bridge.

**Shri Mohini Basumatary asked :**

* 17. Will the Minister of P.W.D. be pleased to state :

(a) When will the Government start the head works of the approach of the R.C.C. Bridge Over the Dulani River?

**Shri Atul Bora (Minister, PWD), replied:**

(a) The work is expected to be started within March'98.

## Re : Installation of Schemes of Tube-Well.

**Shri Jagmohan Basumatary asked :**

* 18. Will the Minister of Public Health Engineering be pleased to state:

(a) What is the progress of installation of Schemes of Tube-Wells in Chapaguri L.A.C. that was submitted by M.L.A. to the Director, Elementary Education on request of Hon'ble Education Minister, in 1996-97?

(b) How many Tube-Wells have been installed out of total Scheme? (Please name the complete schemes alongwith the names of Schools)

(c) When will the works of installation of all the schemes be completed?

**Shri Utpal Dutta (Minister) replied :**

(a) 9 (nine) nos. installed out of the list of 41 (Forty one) Nos. received from Education Deptt.

(b) 9 (nine) Nos. (List enclosed at Annexure-A). (See the Annexure-II)

(c) Proposed to be completed during the Financial year.

## বিষয় ঃ উপস্বাস্থ্য কেন্দ্ৰৰ সংখ্যা।

শ্ৰী আলী আকবৰ মিঞাই সুধিছে ঃ

* ১৯। মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) ধুবুৰী জিলাত ঔষধ-পাতি যোগান ধৰা উপস্বাস্থ্য কেন্দ্ৰৰ সংখ্যা কিমানটা আৰু ঔষধ-পাতি যোগান নধৰা উপস্বাস্থ্য কেন্দ্ৰৰ সংখ্যা কিমানটা?

(খ) ঔষধ-পাতি যোগান নধৰা উপস্বাস্থ্য কেন্দ্ৰবোৰলৈ কেতিয়াৰ পৰা ঔষধ যোগানৰ ব্যৱস্থা কৰা হ'ব?

(গ) ঔষধ যোগান নধৰা উপস্বাস্থ্য কেন্দ্ৰবোৰত ANM বা অন্য কৰ্মচাৰী নিযুক্তি দিয়া আছেনে? যদি আছে, তেন্তে তেওঁলোকৰ নাম কি?

**ডাঃ কমলা কলিতা (স্বাস্থ্য মন্ত্ৰী), য়ে উত্তৰ দিছে ঃ**

(ক) উপস্বাস্থ্য কেন্দ্ৰৰ ঔষধপাতি যোগান ধৰা আৰু ঔষধপাতি যোগান নধৰা বুলি কোনো বিভাজন নাই। বিশেষ কাৰণবশতঃ এটা উপস্বাস্থ্য কেন্দ্ৰ বন্ধ হৈ থাকিলে উক্ত সময়ছোৱাত তাত ঔষধ পাতি যোগান ধৰা নহয়। এনেকুৱা উপস্বাস্থ্য কেন্দ্ৰৰ সংখ্যা ২৬ টা।

(খ) এইবিলাক কাৰ্য্যক্ষম কৰি তুলিবলৈ ব্যৱস্থা লৈ থকা হৈছে।

(গ) এই উপস্বাস্থ্য কেন্দ্ৰৰ এটাতহে এজনী ANM নিযুক্তি দিয়া হৈছে। তেওঁক স্বাস্থ্য সেৱাৰ কামত নিয়োগ কৰা হৈ আছে।

## বিষয় ঃ পৰিবহন নিগমৰ বন্ধ হৈ থকা বাছ।

**শ্ৰী মতী ৰেণুপমা ৰাজখোৱাই সুধিছে ঃ**

* ২০। মাননীয় পৰিবহন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) চিন্তামণিগড়ৰ পৰা অসম মেডিকেল মহাবিদ্যালয় হৈ তিনিচুকীয়ালৈ পৰিবহন নিগমৰ বাছখন বন্ধ হৈ থকা কথাটো মন্ত্ৰী মহোদয়ে অৱগতনে?

(খ) যদি অৱগত, ইয়াৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিছেনে?

(গ) যদি কৰা নাই, কিয় কৰা নাই জনাবনে?

**শ্ৰী প্ৰদীপ হাজৰিকা (পৰিবহন মন্ত্ৰী), য়ে উত্তৰ দিছে,**

(ক) হয়, অৱগত।

(খ) অংশবিশেষে পথছোৱাৰ অৱস্থা অতি শোচনীয়। ইয়াৰ উপৰিও বৰ্ত্তমান নিগমৰ আৰ্থিক সংকটৰ বাবে প্ৰয়োজনীয় সংখ্যক বাচ পথত চলাই ৰাখিব পৰা হোৱা নাই। অৱস্থাৰ উন্নতি সাপেক্ষে উক্ত সেৱা পুনৰ প্ৰৱৰ্ত্তনৰ কথা বিবেচনা কৰা হ'ব।

(গ) শোচনীয় পথ তথা প্ৰয়োজনীয় সংখ্যক গাড়ীৰ অভাৱৰ বাবে।

# UNSTARRED QUESTIONS & ANSWERS

## Re : Allotment of Cement for Raniferry Bridge.

**Shri Misbahul Islam Laskar asked,**

1. Will the Minister of P.W.D. be pleased to state:

(a) Is it a fact that about 4000 bags of cement were issued in the month of October, 1997 to NECDIV II Silchar for Raniferry Bridges?

(b) Is it also a fact that the same Cement were damaged due to non-utilisation?

(c) If so, what action has been taken by the Government against the person responsible?

**Shri Atul Bora (Minister, P.W.D), replied :**

(a) No cement has been issued to Silchar N.E.C. Division II for Raniferry Bridge in the month of October, 1997.

(b) Does not arise.

(c) Does not arise.

## বিষয় ঃ কাঠৰ দলংৰ সংখ্যা।

**শ্ৰী জ্যোতিষ দাসে সুধিছে,**

২। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) গোৱালপাৰা P.W.D. (R) সংমগুলৰ কিমানখন কাঠৰ দলং আছে আৰু বৰ্ত্তমান কিমানখন ব্যৱহাৰৰ উপযোগী হৈ আছে মন্ত্ৰী মহোদয়ে জনাবনে?

(খ) R.C.C. দলং কিমানখন আছে? পৰ্য্যায়ক্ৰমে কাঠৰ দলং R.C.C. কৰাৰ কিবা আচঁনি আছেনে?

**শ্ৰী অতুল বৰা (গড়কাপ্তানী মন্ত্ৰী), য়ে উত্তৰ দিছে,**

(ক) গোৱালপাৰা গড়কাপ্তানী পথ সংমগুলৰ অধীনত মুঠ ২৬৮ (দুশ আঠষষ্ঠি) খন কাঠৰ দলং আছে আৰু বৰ্ত্তমান মুঠ ১৭০ (এশ সত্তৰ) খন দলং ব্যৱহাৰৰ উপযোগী হৈ আছে।

(খ) গোৱালপাৰা গড়কাপ্তানী পথ সংমগুলৰ এখনো পকী দলং নাই। কাঠৰ দলং সমূহ পকী দলঙলৈ ৰূপান্তৰিত কৰাৰ কোনো আচঁনি বৰ্ত্তমান গোৱালপাৰা পথ সংমগুলত নাই।

## বিষয় ঃ ১০০ খন বিচনাযুক্ত চিকিৎসালয়।

**শ্ৰী দেৱকান্ত ৰামচিয়াৰীয়ে সুধিছে,**

৩। মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) ওদালগুৰি ১০০ বিচনাযুক্ত চিকিৎসালয়ৰ নিমাৰ্ণ কাৰ্য্য সম্পূৰ্ণ হোৱাতো মন্ত্ৰী মহোদয়ৰ অৱগতনে?

(খ) মেলেৰিয়া আক্ৰান্ত অঞ্চল হিচাবে বিবেচনা কৰি অতি সোনকালে উদ্বোধন কৰি চিকিৎসক, নাৰ্চ আদি কৰি সকলো ষ্টাফক নিয়োগ কৰি বেমাৰীয়ে চিকিৎসা পোৱাৰ ব্যৱস্থা কৰি দিবনে?

**ডাঃ কমলা কলিতা (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী), য়ে উত্তৰ দিছে,**

(ক) নিৰ্মাণ কাৰ্য্য সম্পূৰ্ণ হৈ উঠা নাই।

(খ) পুঁজি সাপেক্ষে ব্যৱস্থা লোৱা হ'ব।

## Re : Boold Bank.

**Shri Nazibul Umar asked,**

4. Will the Minister of Health and Family Welfare be pleased to state:

(a) Whether the Government is aware that there is no Blood Bank at Civil Hospital, Dhubri?

(b) Whether the Government has taken steps to install Blood Bank at Dhubri Civil Hospital?

**Dr. Kamala Kalita (Minister, Health & Family Welfare), replied:**

(a) Government is aware.

(b) Steps has already been taken to obtain licence etc. for the Blood Bank at Dhubri Civil Hospital.

## বিষয় ঃ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ গৃহ নিৰ্মাণৰ কাম।

**শ্ৰী আবুবক্কৰ ছিদ্দিক জোতদাৰে সুধিছে,**

৫। মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) গোৱালপাৰা পশ্চিম বিধান সভা সমষ্টিৰ অৰ্ন্তগত জয়পুৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ গৃহ নিৰ্মাণৰ কামটো সম্পূৰ্ণ কৰা হৈছেনে?

(খ) যদি হোৱা নাই, কেতিয়া সম্পূৰ্ণ কৰা হ'ব?

(গ) আজিৰ পৰা কিমান দিনৰ ভিতৰত উক্ত স্বাস্থ্য কেন্দ্ৰটো মুকলি কৰা হ'ব?

**ডাঃ কমলা কলিতা (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী), য়ে উত্তৰ দিছে,**

(ক) সম্পূৰ্ণ হোৱা নাই।

(খ) পুঁজি সাপেক্ষে ব্যৱস্থা লোৱা হ'ব।

(গ) গৃহ নিৰ্মাণৰ কাম সম্পূৰ্ণ হ'লেই উক্ত স্বাস্থ্য কেন্দ্ৰটো মুকলি কৰা হ'ব।

**(Unstarred Question No.6 was deffered)**

## Re : Nos. of AIDS patient.

**Shri Ardhendu Kumar Dey asked,**

7. Will the Minister of Health & Family Welfare be pleased to state:

(a) How many AIDS patient were detected in the State upto date and how many death occured due to this disease?

(b) What precautionery measures Government is taking to prevent such disease?

**Dr. Kamala Kalita (Health & Family Welfare) replied:**

(a) A total number of 20 AIDS patients have been detected till now. out of these 13 deaths have been occured.

(b) Following precautionery measures taken for prevention of this disease.

(1) Measures for Safe Blood Transactions are taken up. Only licenced Bllod Banks are aloowed to carry out Bllod Transfusion after thoroughly testing for HIV, VDRL, Hepatitis and malarial parasites.

(2) Govt. S.T.D clinics are supplied with Medicines.

(3) Doctors, Paramedical Staff are provided training in phased manner.

(4) As prevention is the only cure of the disease, various awareness programme are taken up by State AIDS Cell in collaboration with NGCS under I.E.C.Component.

## Re : A.S.T.C. Bus.

**Shri Sukhendu Shekhar Dutta asked,**

8. Will the Minister of Transport be pleased to state:

(a) Whether the Karimganj A.S.T.C. establishment is making profit or .loss?

(b) What is the reason for not placing a single new bus at the disposal of Supernitendent of Karimganj Station?

(c) Is the department aware of the fact that Silchar Bazaricherra bus after reaching Bazaricherra, comes back to Lowairpoa every night for the benefit of the chowkidar and again goes to Bazaricherra in the morning?

(d) If so, what action has been taken against the unuthorised plying?

**Shri Pradip Hazarika (Minister, Transport), replied:**

(a) Karimganj ASTC Station is running at a loss.

(b) 2 (two) Luxury Buses for Karimganj - Guwahati route have been placed recently.

(c) Yes, since there is no bus station at Bazaricherra the buses come back to Lowarpoa bus station for parking.

(d) Necessary action for arrangment of parking space at Bazaricherra is being taken.

## বিষয় ঃ বৃদ্ধ/বৃদ্ধা পেঞ্চন।

শ্ৰী নিজামুদ্দিন খানে সুধিছে,

৯। মাননীয় সমাজ কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) ১৯৯৬ চনৰ ৩১ মাৰ্চলৈকে কিমানজনক বৃদ্ধ/বৃদ্ধা ভাট্টা দিয়া হৈছিল?

(খ) ১৯৯৬ চনৰ ১ এপ্ৰিলৰ পৰা ১৯৯৬ চনৰ ৩০ নবেম্বৰলৈ কিমানজনক এই ভাট্টা দিয়া হৈছে?

(গ) এনে ভাট্টা নিয়মীয়াকৈ দিয়া হৈছেনে?

(ঘ) যদি নহয়, নিয়মীয়াকৈ দিয়াৰ ব্যৱস্থা কৰিবনে?

শ্ৰী মতী ৰেখাৰাণী দাস বড়ো (সমাজ কল্যাণ মন্ত্ৰী), য়ে উত্তৰ দিছে,

(ক) ৪৩,৫০০ জনক ৰাজ্যিক বাৰ্দ্ধক্য ভাট্টা আচঁনিৰ অধীনত মাহিলী পেঞ্চন দিয়া হৈছে।

ৰাষ্ট্ৰীয় বাৰ্দ্ধক্য ভাট্টা আচঁনি অসমত কাৰ্যকৰী হোৱা দিনৰে পৰা অৰ্থাৎ ১৯৯৫ চনৰ ১৫ আগষ্ট তাৰিখৰ পৰা ৩১ মাৰ্চ, ৯৬ লৈ মুঠ ১৯,৮৯৩ জন বৃদ্ধা/বৃদ্ধা এই আচঁনিৰ জৰিয়তে মাহিলী ৭৫/- টকাকৈ পেঞ্চন দিয়া হৈছে।

(খ) ৯৬-৯৭ বিত্তীয় বৰ্ষত ৪৩,৫০০ জন। ৯৭-৯৮ বিত্তীয় বৰ্ষৰ চলিত মাহ পৰ্য্যন্ত কোনো হিতাধিকাৰীকে মাহিলী পেঞ্চন দিয়া হোৱা নাই।

ৰাষ্ট্ৰীয় বাৰ্দ্ধক্য পেঞ্চন আচঁনিৰ অধীনত ৯৬-৯৭ বিত্তীয় বৰ্ষত সৰ্বমুঠ ৪৮,৫৭৮ জন বৃদ্ধ/বৃদ্ধাক মাহিলী পেঞ্চন দিয়া হৈছে। বিত্তীয় বৰ্ষ ৯৭-৯৮ ৰ নবেম্বৰ মাহ পৰ্য্যন্ত ২৭,৫৫১ জনক মাহিলী পেঞ্চন দিয়া হৈছে। এই সংখ্যা আৰু বাঢ়িব পাৰে যিহেতু কেইবাখনো জিলাৰ প্ৰতিবেদন আহি পোৱা নাই।

(গ) দিব পৰা হোৱা নাই।

(ঘ) ব্যৱস্থা লোৱা হৈছে।

## বিষয় ঃ ফেৰি সেৱাৰ সংখ্যা।

শ্ৰী ওয়াজেদ আলী চৌধুৰীয়ে সুধিছে,

১০। মাননীয় পৰিবহন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) অসমত আভ্যন্তৰিণ জলপৰিবহন বিভাগৰ অধীনত কিমানখন ফেৰি সেৱা আছে আৰু উক্ত ফেৰি সেৱাবোৰ চলি আছেনে বন্ধ হৈ আছে?

(খ) ধুবুৰী জিলাত কিমানখন ফেৰি সেৱা আছে আৰু উক্ত ফেৰি কেইখনৰ নাম কি কি? উক্ত ফেৰি কেইখন চলাচল কৰি আছেনে বন্ধ হৈ আছে? যদি বন্ধ হৈ আছে কিহৰ কাৰণে বন্ধ হৈ আছে?

(গ) ধুবুৰী জিলাৰ ফেৰি সেৱা কেইখন নিবিদাৰ যোগেদি মহলদাৰক দিয়া হৈছে নে বিভাগীয়ভাৱে চলাই আছে? যদি বিভাগীয় ভাৱে চলাই আছে তেন্তে মাহত কিমান টকা উপাৰ্জন কৰিছে আৰু প্ৰতিমাহত কিমান টকা খৰচ হৈছে?

**শ্ৰী প্ৰদীপ হাজৰিকা (পৰিবহন মন্ত্ৰী), য়ে উত্তৰ দিছে,**

(ক) অসমত আভ্যন্তৰিণ জলপৰিবহন বিভাগৰ অধীনত মুঠ ৭১ খন ফেৰি সেৱা আছে। ইয়াৰে ৬৩ খন ফেৰি সেৱা নিয়মীয়াকৈ চলি আছে আৰু বাকী আঠখন সেৱা সাময়িকভাৱে বন্ধ হৈ আছে।

(খ) ধুবুৰী জিলাত ৩ খন ফেৰি সেৱা আছে। (ফেৰি সেৱা কেইখনৰ নাম হৈছে) যেনে-

১) ধুবুৰী - ফকিৰগঞ্জ

২) জলেশ্বৰ - ধুবুৰী

৩) ফুলবাৰী - ধুবুৰী

উক্ত ফেৰি সেৱাৰ ভিতৰত ধুবুৰী ফকিৰগঞ্জ আৰু জলেশ্বৰ-ধুবুৰী ফেৰিসেৱা নিয়মীয়াকৈ চলি আছে। কিন্তু ফুলবাৰী ফেৰিসেৱাখন বৰ্ত্তমান পানীৰ গভীৰতাৰ অভাৱত বন্ধ হৈ আছে।

(গ) উক্ত ফেৰি সেৱাৰ ভিতৰত ধুবুৰী-ফকিৰগঞ্জ আৰু জলেশ্বৰ-ধুবুৰী ফেৰি সেৱা দুখন মহলদাৰে চলাই আছে।

ফুলবাৰী-ধুবুৰী ফেৰি সেৱা বিভাগীয় ভাৱে চলাই থকা হৈছে। ইয়াৰ প্ৰতিমাহৰ উপাৰ্জন আৰু খৰচৰ হিচাব তলত দিয়া হ'ল।

| মাহ | আয় | খৰছ |
|---|---|---|
| জুন'৯৭ | ১২,৯৮৪.০০ টকা | ৩৩,২৫১.০০ টকা |
| জুলাই'৯৭ | ১৬,৬৮২.০০ টকা | ৪৪,৭৭৮.০০ টকা |
| আগষ্ট'৯৭ | ৮,৩৯০.০০ টকা | ৩০,১১৭.০০ টকা |
| চেপ্টেম্বৰ'৯৭ | ৩১,৬৭৬.০০ টকা | ১,১৬,৪৫০.০০ টকা |
| অক্টোবৰ'৯৭ | ৪৬,১৮৩.০০ টকা | ১,০১,৪৮২.০০ টকা |

## বিষয় ঃ সামাজিক বনানীকৰণ আঁচনি।

**শ্ৰী আলী আকবৰ মিঞাই সুধিছে**

১১। মাননীয় সামাজিক বনানীকৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) চলিত আৰু অহা বিত্তীয় বৰ্ষত সামাজিক বনানীকৰণ বিভাগে কি কি আঁচনি গ্ৰহণ কৰিছে? (ইয়াৰ ধুবুৰী জিলাত গ্ৰহণ কৰা আঁচনিৰ তালিকা সদনৰ মজিয়াত দাখিল কৰিব)

(খ) ধুবুৰী জিলাত যোৱা আৰু চলিত বৰ্ষত কি কি কাম এই বিভাগে কৰিছে? (তাৰ বিৱৰন সদনৰ মজিয়াত দাখিল কৰিব)

(গ) যোৱা ৫ টা অৰ্থ বছৰত জিলা খনৰ বহুতো স্কুল পথাৰত গছ পুলি ৰুই কাটা তাৰৰ বেৰ দিয়া হৈছিল আৰু উক্ত বেৰৰ তাৰবোৰ বৰ্ত্তমান পথাৰত নাই, ই সঁচানে? যদি সঁচা, তেন্তে তাৰবোৰ কত আছে? যদি সঁচা নহয়, তেন্তে কোন কোন স্কুল পথাৰত কিমান তাৰ পৰি আছে জনাবনে?

(ঘ) কিছুমান স্কুল পথাৰৰ কাটা তাৰ চুৰি হৈছে বুলিও প্ৰকাশ চৰকাৰ অৱগতনে? যদি অৱগত, তাৰ বিৰুদ্ধে কোনো পুলিচ কেচ দিয়া আছেনে?

**শ্ৰী নগেন শৰ্ম্মা (বন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) চলিত বছৰত (১৯৯৭-৯৮) ধুবুৰী সামাজিক বনানীকৰণ বন সংমণ্ডলৰ দ্বাৰা নিম্নলিখিত আঁচনিবোৰৰ অধীনত বৃক্ষৰোপন কাৰ্য্যসূচী হাতত লোৱা হৈছে -

(১) অঞ্চল ভিত্তিত ইন্ধন আৰু পশুখ্যদ্যৰ বৃক্ষৰোপন

(২) সামাজিক বনানীকৰণ (সাধাৰণ)

(৩) জনজাতী উন্নয়ন আঁচনি

(৪) অনুসূচীত জাতি উন্নয়ন আঁচনি

(৫) পৰিবেশ উন্নয়ন কল্পে বৃক্ষৰোপন

অহা বিত্তীয় বছৰৰ (১৯৯৮-৯৯) চনৰ আঁচনি এতিয়াও যুগোতোৱা হোৱা নাই।

(খ) ধুবুৰী জিলাত লোৱা ১৯৯৬-৯৭ বছৰটোত ওপৰত উল্লেখিত প্ৰথম চাৰিখন আঁচনিৰ অধীনত খণ্ড 'ক' (Part 'A') পুৰণি বাগানবোৰৰ আপডাল কৰাৰ লগতে মুঠ ৬৮৩ (ছয়শ তিৰাশী) হেক্টৰ মাটিত নানা প্ৰজাতিৰ বৃক্ষৰোপন কৰা হয়। লগতে খণ্ড 'খ' (Part 'B')ৰ অধীনত মুঠ ৩৮৬ হেক্টৰ মাটিত বৃক্ষৰোপন প্ৰাৰম্ভিক কৰ্ম (Advance works) সম্পন্ন কৰা হয়। উক্ত ১৯৯৬-৯৭ চনত আঁচনিৰ আয় ব্যয়ক (Budget) কৰ্তনৰ বাবে কোনো স্কুলত বৃক্ষৰোপন কৰিব পৰা নগল।

* **শ্ৰী মোস্তাফা শ্বহীদুল ইছলাম** ঃ মাননীয় অধ্যক্ষ মহোদয় গুণ্ডাকৰ সম্পৰ্কে যিটো কথা কোৱা হৈছে সেই সম্পৰ্কত মই কব বিচাৰিছো যে আগতে গুণ্ডাকৰ ভাৰতবৰ্ষৰ বিহাৰত আছিল। কিন্তু এই ক্ষেত্ৰত এতিয়া অসমে প্ৰথম স্থান অধিকাৰ কৰিব। ভাৰতবৰ্ষৰ বিভিন্ন ৰাজ্য বা বিহাৰত এই গুণ্ডাকৰ আছিল যদিও এতিয়া অসমত গুণ্ডাকৰ সম্পৰ্কে বাতৰি কাকত সমূহত বহুতো কথাই প্ৰাকশ পাইছে। অসমৰ গাওঁ অঞ্চল সমূহতো এই গুণ্ডাকৰ আদায় কৰা আৰম্ভ কৰা হৈছে। গতিকে মই প্ৰত্যেকতো চাৰ্কোল বা থানা এলেকাত এই ক্ষেত্ৰত বিহিত ব্যৱস্থা লোৱাৰ কাৰণে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষন কৰিলো। অকল চহৰতেই নহয় গাৱে-ভূঞেও এইটো হৈছে। এই সম্পৰ্কত ডি,জি,পি ৰ লগত যোগা-যোগ কৰি পুলিচৰ লগতে মেজিষ্ট্ৰেট পঠিয়াই ব্যৱস্থা লব লাগিব। ন্যায়িক আৰু পুলিচ প্ৰশাসন দুয়ো মিলি-জুলি ব্যৱস্থা লব লাগিব।

* **শ্ৰী আলাউদ্দিন চৰকাৰ** ঃ মাননীয় অধ্যক্ষ মহোদয়, বেচিভাগ খাদ্য সামগ্ৰীয়েই বাহিৰৰ পৰা আনিবলগীয়া হয়। এই খাদ্যবস্তু সমূহ ট্ৰাক বিলাকত বেচিকৈ বোজা বহন কৰি অনাৰ কাৰণে বহুত টকা জৰিমণাও ভৰিবলগীয়াও হৈছে। কিন্তু এতিয়া সেইটো কৰা নাই। বেচিভাগ খাদ্য সামগ্ৰীয়েই শিলিগুৰি বা বাহিৰৰ পৰা আনিবলগীয়া হয়। এনেকুৱা কিছুমান কাৰণত ৰাজহ সংগ্ৰহ বহুত তললৈ নামি গৈছে যেন লাগে। খাদ্য সামগ্ৰী সমূহৰ ক্ষেত্ৰতেই হওক বা অন্যান্য ক্ষেত্ৰতেই হওক চেকগেট সমূহে মূল্যবান ভূমিকা গ্ৰহণ কৰিছে।

* **শ্ৰী গৌতম ৰয়** ঃ মাননীয় অধ্যক্ষ মহোদয়, গুণ্ডাকৰ হাইলাকাণ্ডিতো আদায় কৰে। তাত এই বাৰ প্ৰায় ৩ কোটি টকা আদায় কৰিছে। এই চৰকাৰ অহাৰ পিচত কলেজৰ নামত বহুত টকা সংগ্ৰহ কৰিছে। কলেজৰ বিল্ডিংৰ সামগ্ৰী সমূহ কৰ পৰা লোৱা হৈছে? হিন্দুস্থান কৰ্পোৰেচনৰ গেটত এই কৰ আদায় কৰা হৈছে।

* **শ্ৰী শ্বহীদুল আলম চৌধুৰী (পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, গুণ্ডাকৰ আদায় কৰা নাই।

* **শ্ৰী গৌতম ৰয়** ঃ মাননীয় অধ্যক্ষ মহোদয়, বহুদিন ধৰি এই টেক্স উঠাইছে। প্ৰায় ৩ কোটি মান টকা উঠাইছে।

* **শ্ৰী প্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়ে চৰকাৰৰ দৃষ্টি আকৰ্ষিত হৈছে আৰু চৰকাৰৰ তৰফৰ পৰা ইতিমধ্যে ব্যৱস্থাও হাতত লোৱা হৈছে। গুৱাহাটী

* Speach not corrected

আৰু গুৱাহাটীৰ বাহিৰতো এই ক্ষেত্ৰত চৰকাৰ অপ্ৰিয় হবলগীয়া হৈছে যাৰ কাৰণে যথেষ্ট সংখ্যক ব্যৱস্থা হাতত লবলগীয়া হৈছে। এই ক্ষেত্ৰত সকলোৰে সহায়-সহযোগ আগবঢ়াব লাগে। আমি সামাজিক ভাবে আমাৰ নাগৰিক সকলৰ কথাটো চিন্তা কৰি চাব লাগিব। ইতিমধ্যে চৰকাৰৰ ফালৰ পৰা ব্যৱস্থা লোৱা হৈছে আৰু লোৱা হব।

* **শ্ৰী গৌতম ৰয় ঃ** মাননীয় অধ্যক্ষ মহোদয়, গুণ্ডাকৰ আদায় কৰাতো সঁচা।

* **শ্ৰী শ্বহীদুল আলম চৌধুৰী (পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই টেক্স আদায় কৰা নাই।

## MATTER UNDER RULE 301

**Mr. Speaker :** Now Item No. 5.

* **ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে ঃ** মাননীয় অধ্যক্ষ মহোদয়, এইটো এটা চিৰিয়াচ কথা আমাৰ ৰাজ্যখন বিভিন্ন সংকটৰ মাজত চলিছে। এই চিৰিয়াচ মেটাৰতো আজি ইয়াত উৎথাপন কৰিছো। বিভিন্ন বিভাগত যেতিয়া প্ৰশ্ন উৎথাপন কৰা হয় তেতিয়া বিত্তিয় সংকট আতৰিলে আৰু এভেইলেবুল হলে কাম হব বুলি কয়। ভুটানৰ পৰা হাজাৰ হাজাৰ টন চিমেন্ট অসমলৈ আহি আছে। কিন্তু এই চিমেন্টৰ ওপৰত কোনো ধৰণৰ চেল টেক্স অন্য টেক্স ইমপোজ কৰা নাই। এইখিনিতে মই ওৱেষ্ট বেঙ্গলৰ কথা এটা কব বিচাৰিছো। ভুটানৰ পৰা ওৱেষ্ট বেঙ্গললৈ যিবিলাক চিমেন্ট আহে সেই বিলাক চিমেন্টৰ ক্ষেত্ৰত টেক্স আদায় কৰা হয়। অসমত যিবিলাক চিমেন্ট উৎপাদন হয় সেই বিলাক চিমেন্টৰ ওপৰত টেক্স ইমপোজ কৰা হয়। কিন্তু ভুটানৰ পৰা অহা চিমেন্টৰ ওপৰত টেক্স ইম্‌পোজ কৰা হোৱা নাই। ভুটান চিমেন্টৰ দাম প্ৰতি বস্তাত ১২০টকা। কিন্তু সেইটো ইয়াত ১৯০ টকা দুশ টকা হয়। ভুটানৰ পৰা ৩ হাজাৰ মেট্ৰিক টন চিমেন্ট অসমত আহি সোমাইছে। ভুটান আৰু আমাৰ অসমৰ চিমেন্টৰ মাজত বস্তাই প্ৰতি ৬০/৭০ টকাৰ ডিফাৰেঞ্চ হয়। It is only due to wrong policy adopted by the Govt. সেইটো চালে বহুত টকা ৰাজহ হেৰুৱাবলগীয়া হৈছে। এইটো ক্ষেত্ৰত কিবা এটা আণ্ডাৰষ্টেন্ডিং হৈছে। কিন্তু এই আণ্ডাৰষ্টেণ্ডিংটো যে অনেষ্ট সেইটো নহয়। এই চিমেন্টৰ লগত আৰ্মচ্ এণ্ড এমিউনেচনও আহিছে। ইয়াত কোনোবা এটা চক্ৰ জড়িত আছে। ভুটানৰ পৰা চিমেন্টৰ লগত আৰ্মচ্ এণ্ড এমিউনেচন অনাৰ কাৰণে লাখ লাখ টকাৰ কমিচনও পাব পাৰে। এই ক্ষেত্ৰত ফাইনেঞ্চ ডিপাৰ্টমেন্ট জড়িত থকা কথাটোৰ আমাৰ হাতত প্ৰমাণ আছে। ফাইনেঞ্চ ডিপাৰ্টমেন্ট লাখ লাখ কোটি কোটি টকা হেৰুৱাব লগীয়া হৈছে। ভূটান চিমেন্টৰ লগত আৰ্মচ্ এণ্ড এমিউনেচন আহে নেকি আৰু টেক্স কিয় ইমপোজ কৰা হোৱা নাই এই কথাখিনিৰ মাননীয় মুখ্যমন্ত্ৰীয়ে ক্লাৰিফিকেচন দিব লাগে।

* Speach not corrected

* **শ্ৰী প্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ ডাঙৰীয়া, এটা কথা সঁচা যে এই বিষয়ত ভূটান চৰকাৰৰ লগত এটা বুজাপৰা হৈছে - কিন্তু মাননীয় সদস্য ডাঃ দে ডাঙৰীয়াই কোৱাৰ দৰে আমাৰ বিত্ত বিভাগৰ লগত হোৱা নাই এইটো কেন্দ্ৰীয় চৰকাৰৰ লগতহে হৈছে। এই বিষয়টোৰ প্ৰতি চৰকাৰ সম্পূৰ্ণ অৱগত আছে। এইখিনিতে উল্লেখ কৰিব পৰা যায় যে ভাৰত চৰকাৰ আৰু ভূটানৰ ৰাজকীয় চৰকাৰৰ মাজত ২৮/২/৯৬ তাৰিখে স্বাক্ষৰিত চুক্তি মতে এই দুই দেশৰ মাজত ২/৩/৯৫ তাৰিখৰ পৰা ১০ বছৰৰ কাৰণে অবাধ ব্যৱসায় বাণিজ্য চলিব। এই ক্ষেত্ৰত কোনো ব্যক্তিগত অনুষ্ঠানে তাৰ পৰা সামগ্ৰী আনি অসমৰ বজাৰত বিক্ৰি কৰিলে তাৰ ওপৰত আমি বিক্ৰি কৰ পাওঁ। কিন্তু কোনো চৰকাৰী অনুস্থান প্ৰতিষ্ঠানে তাৰ পৰা পোনপটীয়াকৈ নিজৰ ব্যৱহাৰৰ কাৰণে সামগ্ৰী আনিলে তাৰ পৰা আমি কৰ নাপাওঁ। এনেধৰণে নুমলীগড় ৰিফাইনেৰী; অসম আৰক্ষী গৃহ নিমাৰ্ণ নিগম, অসম বাণিজ্য পন্যাগাৰ নিগম আদিয়ে তেওঁলোকৰ ব্যৱহাৰৰ কাৰণে ভূটানৰ পৰা চিমেন্ট আনিছে। ইয়াৰ ওপৰত আমি বিক্ৰি কৰ নাপাওঁ। এই অনুষ্ঠানবিলাকে ভৱিষ্যতে আৰু নিজৰ ব্যৱহাৰৰ কাৰণে ভূটান নাইবা অসমৰ বাহিৰৰ পৰা আনিব লগা হ'ব পাৰে। আমি তেতিয়াও 'ৰড পাৰমিট' দিব লগা হ'ব পাৰে। গতিকে এইটো ভাৰত চৰকাৰ আৰু ভূটান চৰকাৰৰ মাজত হোৱা চুক্তি অনুসৰি 'ৰড পাৰমিট' দিবলৈ আমি বাধ্য। ইয়াত চেল টেক্স ৰেহাই দিয়াৰ প্ৰশ্ন নুঠে।

* **ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে** ঃ অধ্যক্ষ মহোদয়, ব্যক্তিগত ভাৱে যি সকল লোক এই চিমেন্ট অসমৰ বজাৰত বিক্ৰি কৰি আছে তেওঁলোকেও বিক্ৰি কৰ দিয়া নাই। কাৰণ, বোকাজানৰ চিমেন্টতকৈ এই চিমেন্ট বহুত কম দামত বিক্ৰি হৈ আছে।

* **শ্ৰী প্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী)** ঃ অধ্যক্ষ ডাঙৰীয়া, ভূটানৰ চিমেন্টৰ দাম আমাৰ চিমেন্টততকৈ কম। ভূটানৰ চিমেন্ট যদি ইয়ালৈ কোনোবাই ব্যক্তিগত ভাৱে আনি বিক্ৰি কৰিছে তেনেহ'লে আমি কৰ পাওঁ।

## LAYING OF STATEMENT, NOTIFICATION AND RULES

**Mr. Speaker :** Now Item No. 6, Hon'ble Chief Minister to lay.

**Shri Prafulla Kumar Mahanta :** Sir, I beg to lay the Annual Financial Statement of ASEB for the year 1997-98.

**Mr. Speaker :** Now Item No. 7, Hon'ble Chief Minister to lay.

**Shri Prafulla Kumar Mahanta :** Sir, I beg to lay the Notification No. FTX.50/97/Pt/1 dt. 25/4/97.

---

* Speach not corrected

**Mr. Speaker :** Now Item No. 8, Hon'ble Chief Minister to lay.

**Shri Prafulla Kumar Mahanta (Chief Minister) :** Sir, I beg to lay Notification.

**Mr. Speaker :** Now Item No. 9, Hon'ble Chief Minister to lay.

**Shri Prafulla Kumar Mahanta (Chief Minister) :** Sir, I beg to lay the notification no. FTX. 11/85/209 dt. 11-7-97.

**Mr. Speaker :** Now Item No. 10, Hon'ble Chief Minister irrigation to lay.

**Shri Abdul Muhib Mazumder (Minister, Irrigation) :** Sir, I beg to lay the Assam Irrigation Rules, 1997.

## PRESENTATION OF LIST OF THE SUPPLEMENTARY DEMANDS FOR GRANTS AND SUPPLEMENTARY APPROPRIATION.

**Mr. Speaker :** Now Item No. 11.

**Shri Prafulla Kumar Mahanta (Chief Minister) :** Sir, I beg to present the List of Supplementary Demands for Grants and Supplementary Appropriations for the year. 1997-98.

## PRESENTATION OF REPORTS OF THE LEGISTATURE COMMITTEE

**Mr. Speaker :** Now Item No. 12, Hon'ble Chairman, Privilege Committee is absent, Hon'ble Minister Shri S.N. Medhi to Present.

**Shri Surendra Nath Medhi (Minister) :** Hon'ble speaker sir, I beg to present the 35th Report of the Committee of Privileges. The 35th Report of the Committee of Privileges was presented to the Hon'ble speaker by the out-going Committee of Privileges on 21-8-97 when the House was not in Session. Hence, the Hon'ble speaker has directed me to present the certificated copy of the 35th Report of the Committee of Privileges to this House as matter of procedure.

**Mr. Speaker :** Now Item No. 13, Hon'ble Minister and Member Shri S.N. Medhi to raise.

**Shri Surendra Nath Medhi (Minister) :** Hon'ble speaker sir, I beg to present the 36th Report of the Committee of Privileges on the matter of breach of privilege against Shri R. Kutum, General Secretary.

**Mr. Speaker :** Now Item No. 14, Hon'ble Minister Shri S.N. Medhi.

**Shri Surendra Nath Medhi (Minister) :** Hon'ble speaker sir. This House do now adopt the 35th and 36th Report of the Committee of Privileges presented to the House.

**Mr. Speaker :** The Reports are adopted.

## INTRODUCTION OF GOVERNMENT BILLS

**Mr. Speaker :** Now Item No. 15, Now Shri Gunin Hazarika, Minister, Industries to move.

**Shri Gunin Hazarika (Minister, Industries) :** Sir, I beg leave to introduce "The Assam Aid to Industries (small and Cottage Industries) (Amendment) Bill, 1997".

**Mr. Speaker :** It is the pleasure of the House to grant leave to introduce the Bill?

**(Voice : 'YES' 'YES')**

**Mr. Speaker :** (After a pause) the leave is granted. Now Hon'ble Minister, Industries Shri Gunin Hazarika is to introduce the Bill.

**Shri Gunin Hazarika (Minister, Industries) :** Sir, I beg to introduces the 'The Assam Aid to Industries (Small and Cottage Industries) (Amendment) Bill, 1997.

**Mr. Speaker :** The Bill has been introduced.

Secretary, ALA, read out the title of the Bill.

## GOVERNMENT RESOLUTION

**Mr. Speaker :** Now Item No. 16. Hon'ble Chief Minister to move.

**Shri Prafulla Kumar Mahanta (Chief Minister) :** Sir, I beg to move that 'This Assembly approves to increase the maximum limit of the

Capital of ASEB from Rs. 810 Crores to Rs. 1360 Crores as required under section 12-A-(2) of the Electricity (Supply) Act, 1948.

**Mr. Speaker :** Those who are in favour say 'Ayes' Those who are against say 'Noes'.

('Ayes' have it, 'Ayes' have it, 'Ayes' have it)

The Resolution is passed. Item No. 17.

## OBITUARY REFERENCE

**(Mr. Speaker Read out obituary reference in Assemese)**

গভীৰ দুখ আৰু বেদনাৰে তলত উল্লেখ কৰা বিশিষ্ট ব্যক্তিসকলৰ বিয়োগত এই পবিত্ৰ সদনত শোক প্ৰকাশ কৰিবলৈ ওলৰো হৈছে।

মানব দৰদী শান্তিৰ নবেল বটা, দেশৰ সৰ্ব্বোচ্চ ভাৰত ৰত্ন বটা বিজয়ীনি, তথা পদ্মশ্ৰী উপাধিধাৰী এগ্নেছ গ্নংকা বজাক্লিয়াই বিশ্বত মাদাৰ টেৰেছা নামে খ্যাত বৰ্ত্তমানৰ মেচেদনিয়াৰ স্কপজেতত ১৯১০ চনত ২৭ আগষ্টত জন্ম গ্ৰহন কৰে। সৰুতেই নিপীড়িত জনৰ সেৱাত ব্ৰতীহৈ পৰা সেই কিশোৰী গৰাকীয়ে পিচলৈ মাদাৰ টেৰেছা আখ্যা পায়। ১৯২৯ চনতে আইৰিশ মিশ্যনেৰী সংগঠনত যোগদান কৰি সেই বছৰতে কলিকতালৈ আহি তাৰ বস্তি অঞ্চলৰ শিশু সকলৰ দুৰ্দশা দেখি তেওঁ কলিকতাকে নিজৰ কৰ্মক্ষেত্ৰ কৰি থাকিবলৈ লয়। তাতেই তেওঁ প্ৰতিষ্ঠা কৰিলে 'মিশ্যনেৰীজ অৱ চেৰিটীজ'ৰ আৰু মৃতপ্ৰায় সকলৰ বাবে 'নিৰ্মল হৃদয়' নামৰ আশ্ৰয় স্থলও স্থাপন কৰে। মানবতাবাদী কাম-কাজৰ বাবে ১৯৬২ চনত তেওঁ 'পদ্মশ্ৰী', ১৯৭৯ চনত শান্তিৰ নবেল বটা আৰু ১৯৮০ চনত ভাৰত ৰত্ন উপাধি লাভ কৰে। আৰ্তজনৰ মাতৃ, দুৰ্গতিজনৰ সেৱিকা বিশ্বৰ প্ৰান্তৰে প্ৰান্তৰে স্নেহশীল মাদাৰ টেৰেছাই ৮৭ বছৰীয়া জীৱনৰ অধিকাংশই দুৰ্গতিজনৰ সেৱা কৰি ১৯৯৭ চনত ৫ চেপ্তেম্বৰৰ নিশা ৯-৩০ বজাত বিশ্বৰ সকলোকে মাতৃ স্নেহৰ পৰা বঞ্চিত কৰি মাদাৰ টেৰেছাই নশ্বৰ দেহ ত্যাগ কৰে। তেখেতৰ বিয়োগত বিশ্বৰ সকলোৰে বিশেষকৈ দুৰ্গত সকলৰ অপূৰণীয় ক্ষতি হ'ল।

অসমৰ প্ৰাক্তন মুখ্যমন্ত্ৰী, অসম বিধান সভাৰ প্ৰাক্তন অধ্যক্ষ, বৈদেশীক পৰিক্ৰমা মন্ত্ৰী পৰিষদৰ প্ৰাক্তন অ'বৈতনিক সংসদীয় সচিৱ, প্ৰাক্তন সাংসদ শ্ৰী যোগেন্দ্ৰ নাথ হাজৰিকাই ১৯২৪ চনৰ ফেব্ৰুৱাৰী মাহত ডিব্ৰুগড় জিলাত টেঙাখাটৰ খঙিয়া গাওঁত জন্ম গ্ৰহণ কৰে। কলিকতা বিশ্ববিদ্যালয়ৰ পৰা ১৯৫০ চনত স্নাতোকোত্তৰ আৰু ১৯৫২ চনত আইনৰ স্নাতক ডিগ্ৰী লাভ কৰি শ্ৰী হাজৰিকাই অসমৰ উচ্চতৰ আদালতৰ আৰু ভাৰতৰ উচ্চতম আদালতৰ উকিল সংগঠনৰ ক্ৰমে ১৯৫২ আৰু ১৯৬২ চনত যোগদান কৰিছিল। ১৯৫০, ১৯৫৭, ১৯৬২ আৰু ১৯৬৭ চনত ডিব্ৰুগড়ৰ্ৰ পৰা লোকসভালৈ

সদস্য নিৰ্ব্বাচিত হৈছিল। ১৯৫২ চনৰ পৰা ১৯৬২ চনলৈ তেতিয়াৰ প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰুৰ সংসদীয় সচিব ৰূপেও কাৰ্য্যনিৰ্ব্বাহ কৰিছিল। ১৯৭৮ চনত শ্ৰী হাজৰিকাই জনতা দলৰ প্ৰাৰ্থীৰূপে দুলিয়াজান সমষ্টিৰ পৰা অসম বিধান সভালৈ সদস্য নিৰ্ব্বাচিত হৈ অসম বিধান সভাৰ অধ্যক্ষ নিৰ্ব্বাচিত হৈছিল। ১৯৭৯ চনত অসম জনতা দল গঠন কৰি শ্ৰী গোলাপ বৰবৰা মন্ত্ৰীসভাৰ পতনৰ পাছতে শ্ৰী হাজৰিকা অসমৰ মুখ্যমন্ত্ৰী হৈছিল। নিস্বাৰ্থ সমাজ সেৱক, ৰাজনীতিবিদ, প্ৰশাসক শ্ৰী হাজৰিকাই ১৯৯৭ চনৰ ৩০ ছেপ্তেম্বৰত দিছপুৰৰ বশিষ্ঠ পুৰত ইহসংসাৰ ত্যাগ কৰে। এখেতৰ পৰলোক প্ৰাপ্তিত অসমৰ এক পূৰাব নোৱাৰা ক্ষতি হ'ল।

কেন্দ্ৰীয় প্ৰতিৰক্ষা দপ্তৰৰ ৰাজ্যমন্ত্ৰী, বিশিষ্ট ট্ৰেডইউনিয়ন নেতা, তথা আইনবিদ শ্ৰী ভি-এন- ছুমুৰ ১৯৩৭ চনৰ ১১ মেত মাদ্ৰাজৰ চেঙ্গাল পাটু জিলাত জন্ম হৈছিল। শ্ৰী ছুমু একেৰাহে বিশিষ্ট আইনজ্ঞ আৰু ডি-এম-কে দলৰ শক্তিশালী কৰ্মী আছিল। ডি-এম-কে দলৰ মুখপাত্ৰ 'দ্ৰাভিনৰো' সম্পাদনা কাৰ্যতো তেওঁ এজন ঘনিষ্ঠ সহযোগী আছিল। চেন্নাইৰ পৰা প্ৰকাশিত "হিন্দু" কাকতৰ কৰ্মী সংগঠনৰ তেওঁ একেৰাহে কেবাবছৰো সভাপতি আছিল। শ্ৰী ছুমুৱে অৰুনাচল প্ৰদেশলৈ ৰাজহুৱা ভ্ৰমণৰ বাবে আহি হেলিকপ্টাৰ যোগে ভ্ৰমণৰত অৱস্থাত দুৰ্ঘটনাত পতিত হৈ ১৯৯৭ চনৰ ১৪ নৱেম্বৰ তাৰিখে অৰুণাচলৰ টাৱাং জিলাত মৃত্যু বৰণ কৰে। ছুমুৰ মৃত্যুত দেশে এজন প্ৰকৃত সমাজ কৰ্মী, ট্ৰেডইউনিয়ন নেতা আৰু দক্ষ প্ৰশাসকক হেৰুৱালে।

প্ৰাক্তন বিধায়ক, শিক্ষাবিদ ইমৰাণ হুছেইনে চিলেট চৰকাৰী কলেজ, কটন কলেজ আৰু যোৰহাট জে-বি কলেজত শিক্ষকতা কৰিছিল। ১৯৪৬ চনৰ পৰা ১৯৫২ চনলৈ তেওঁ অসম বিধান সভালৈ শিৱসাগৰ সমষ্টিৰ পৰা সদস্য নিৰ্বাচিত হৈছিল। ১৯৯৭ চনৰ ৩ অক্টোবৰ তাৰিখে দুপৰীয়া ১২-৪৫ মিনিটত শ্ৰী চৌধুৰীৰ নিজা বাসভৱন যোৰহাটত দেহাবসান ঘটে। চৌধুৰীৰ মৃত্যুত অসমে এজন শিক্ষাবিদ, তথা ৰাজনৈতিক হেৰুৱালে।

বিশিষ্ট শিক্ষাবিদ তথা সমাজকৰ্মী ঘণশ্যাম তালুকদাৰ ১৯৫৭ চনত ভাৰতীয় জাতীয় কংগ্ৰেছৰ প্ৰাৰ্থীৰূপে সৰভোগ সমষ্টিৰ পৰা অসম বিধান সভালৈ সদস্য নিৰ্বাচিত হৈছিল। শ্ৰী তালুকদাৰে সৰভোগ কলেজৰ প্ৰতিস্থাপক অধ্যক্ষ হিচাবেও কাৰ্য্যনিৰ্ব্বাহ কৰিছিল। তেখেত এজন শিক্ষাবিদো আছিল। অসম বিধান সভাৰ প্ৰাক্তন বিধায়ক সন্থাৰ সভাপতি হিচাবে দক্ষতাৰে মৃত্যুৰ আগলৈ কাৰ্য্য নিৰ্ব্বাহ কৰিছিল। উচ্চ ৰক্ত চাপত ভূগি গুৱাহাটী নিজঘৰত ১৯৯৭ চনৰ ২৯ নৱেম্বৰৰ দুপৰীয়া শ্ৰী তলুকদাৰৰ মৃত্যু হয়। তালুকদাৰৰ মৃত্যুত অসমে এজন শিক্ষাবিদ তথা ৰাজনীবিদক হেৰুৱালে।

উদিয়মান নেতা, বিশিষ্ট সমাজকৰ্মী শ্ৰী শ্বেখ ছামান আলীৰ অবিভক্ত গোৱালপাৰা জিলাত ১৯৫৮ চনৰ ১৫ মাৰ্চত জন্ম গ্ৰহণ কৰিছিল। সংযুক্ত সংখ্যালঘু গোটৰ অগ্ৰনি নেতাৰূপে খ্যাত শ্ৰী আলী ১৯৮৫ চনত গোৱালপাৰা পশ্চিম সমষ্টিৰ পৰা অসম বিধান সভালৈ সদস্য নিৰ্ব্বাচিত হৈছিল। যোৱা ১ নৱেম্বৰত মাজনিশা জয়পুৰ বজাৰত আয়োজিত ধৰ্ম সভাৰ পৰা ঘৰলৈ আহি থকা অৱস্থা শ্ৰী

আলীক অতিনাক্ত দুবৃত্তই গুলীয়াই হত্যা কৰে। শ্ৰী আলীৰ মৃত্যুত অসমে এজন অদিয়মান সমাজ সেৱক তথা ৰাজনীতিকক অকালতে হেৰুৱালে।

সৰবৰহী সমাজ বাদী নেতা, শিক্ষাবিদ, তথা প্ৰাক্তন বিধায়ক শ্ৰী নগেন বৰুৱাই গোলাঘাট জিলাৰ খনিকৰ গাওঁত ১৯৩০ চনৰ ৮ জুলাইত জন্ম গ্ৰহণ কৰিছিল। স্নাতোকোত্তৰ ডিগ্ৰী লাভ কৰি সমাজ সেৱা কামত জৰীত হৈ থাকিও ১৯৫৬ চনত মিছামাৰা হাইস্কুলত প্ৰধান শিক্ষকৰূপে কৰ্ম জীৱনৰ পাতনি মেলে। শ্ৰী বৰুৱা ১৯৭২ আৰু ১৯৭৮ চনত খুমটাই সমষ্টিৰ জনতা দলৰ প্ৰাৰ্থীৰূপে অসম বিধান সভালৈ সদস্য নিৰ্ব্বাচিত হৈছিল। ১৯৯৭ চনৰ ২১ অক্টোবৰ তাৰিখে গুৱাহাটী এখন নাৰ্চিংহোমত দুৰাৰোগ্য ৰোগত আক্ৰান্ত হোৱা বৰুৱাই ইহসংসাৰ ত্যাগ কৰে। বৰুৱাৰ মৃত্যুত অসমৰ সামাজিক আৰু ৰাজনৈতিকি দিশত এক উল্লেখনীয় ক্ষতি হ'ল।

১৯৩১ চনৰ ২৫ ডিচেম্বৰত নগাওঁ জিলাত শ্ৰী বানোৱাৰী লাল হান্সাৰিয়াৰ জন্ম হয়। ১৯৫৭ চনত গুৱাহাটী উচ্চন্যায়ালয়ত অধিবক্তা হিচাপে কৰ্ম জীৱন আৰম্ভ কৰা শ্ৰী হান্সাৰিয়াই গুৱাহাটী উচ্চন্যায়ালয়ত ন্যায়াধীশ, উৰিষ্যা উচ্চ ন্যায়ালয়ত প্ৰাক্তন মুখ্য ন্যায়াধিশ ৰূপে কাৰ্য্যনিৰ্ব্বাহ কৰাৰ পিচত শ্ৰী হান্সাৰিয়া ১৯৯৩ চনত উচ্চতম ন্যায়ালয়ত ন্যায়ধিশৰূপে নিযুক্ত হৈছিল। ১৯৯৬ চনৰ ২৫ ডিচেম্বৰত ন্যায়াধিশ হান্সাৰিয়াই অৱসৰ গ্ৰহণ কৰিে। ন্যায়াধিশ হান্সাৰিয়া অধিপ্ৰবক্তা হৈ থাকোতে আইন মহা বিদ্যালয়ত প্ৰৱক্তাও আছিল। তেখেতৰ কেবাখনো তত্বগধুৰ লিখনিত আইন সম্পৰ্কীয় তেখেতৰ পূৰ্ণ আইন সম্পৰ্কীয় অভিজ্ঞাতাৰ নিদৰ্শন এৰি থৈ গৈছে। ন্যায়ধিশ শ্ৰী হান্সাৰিয়াৰ ১৯৯৭ চনৰ ৩ নৱেম্বৰ দিল্লীত দেহাৱসান ঘটে।

ফৰৱাৰ্ডব্লকৰ প্ৰবীণ নেতা সাংসদ চিত্ত বসুৰ জন্ম হৈছিল ১৯২৬ চনত বাংলাদেশৰ ঢাকাত। ছাত্ৰাৱস্থাৰ পৰাই ৰাজনীতিৰ সৈতে জড়িত বসুৱে ১৯৪৫ চনত ফৰৱাৰ্ডব্লকত যোগদান কৰি দলৰ যুৱ শাখাৰ সৰ্বভাৰতীয় পৰ্যায়ৰ সাধাৰণ সম্পাদক নিৰ্বাচিত হৈছিল। তেওঁ ১৯৫৭ চনত পশ্চিম বংগৰ বিধান সভালৈ ১৯৬৬ চনত ৰাজ্য সভালৈ আৰু ১৯৭৭ চনত লোকসভালৈ সদস্য নিৰ্বাচিত হৈছিল। ১৯৯৭ চনৰ ৫ অক্টোবৰ তাৰিখে দানপুৰ এক্সপ্ৰেছৰ এতি শীত তাপ নিয়ন্ত্ৰিত দবাত হৃদৰোগত আক্ৰান্ত হৈ শ্ৰী বসুৰ মৃত্যু ঘটে। শ্ৰী বসুৰ মৃত্যুত দেশৰ বাবে অপূৰণীয়া ক্ষতি হ'ল।

"আৱাহন" আৰু "জয়ন্তীৰ" প্ৰতিষ্ঠিত লিখক, মুক্তি যোদ্ধা তথা প্ৰাক্তন বিধায়ক শ্ৰী হাকিম চন্দ্ৰ ৰাভাই ১৯২৪ চনত জন্ম গ্ৰহণ কৰে। ১৯৪২ চনত দেশৰ মুক্তি আন্দোলনত যোগদান কৰা বাবে শ্ৰী ৰাভাক কাৰাৰুদ্ধ কৰা হৈছিল। ১৯৪৩ চনত দূধনৈ মজলীয়া স্কুলত শিক্ষক ৰূপে শ্ৰী ৰাভাই কৰ্মজীৱনৰ পাতনি মেলে। শ্ৰী ৰাভা এজন জনজাতীৰ কল্যাণ সমিতিৰ একনিষ্ঠ সদস্য আছিল। ১৯৫২ চনত শ্ৰী ৰাভাই গোৱালপাৰাৰ পৰাই কংগ্ৰেছৰ প্ৰাৰ্থীৰূপে অসম বিধান সভালৈ সদস্য নিৰ্বাচিত হৈছিল। ১৯৫৬ চনৰ পৰা অসম খাদী আৰু গ্ৰামোউদ্যোগ বোৰ্ডৰ সদস্য হৈ থাকি শ্ৰী ৰাভাই কেবাখনো

মূল্যবান গ্ৰন্থ লিখি থৈ গৈছে। এই জন বিশিষ্ট সমাজকৰ্মী, শিক্ষাবিদ আৰু ৰাজনীতি বিদৰ ১৯৯৭ চনৰ ১৮ ডিচেম্বৰৰ দিনৰ ১-৩০ বজাত দূধনৈৰ নিজবাসভৱনত পৰলোক প্ৰাপ্তি ঘটে। তেখেতৰ মৃত্যুত অসমে এজন সত্যনিষ্ঠ দেশপ্ৰেমিক আৰু সমাজহতৈষীক হেৰুৱালে।

১৯১১ চনৰ ১৩ ডিচেম্বৰত ঢাকাত জন্ম গ্ৰহণ কৰা শ্ৰী ত্ৰিদিব চৌধুৰী ছাত্ৰাৱস্থাৰ পৰা ভাৰতৰ মুক্তি আন্দোলনত অতি নিবড়ভাবে জড়িত আছিল। দেশৰ মুক্তি আন্দোলৰ কাৰ্য্যত অসহযোগ তথা বৃটিছৰ ভাৰত ত্যাগ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰাৰ বাবে ১৯৩১ চনৰ পৰা প্ৰাক স্বাধীন সময় ছোৱাত শ্ৰী চৌধুৰীক কেইবাবছৰো কাৰাৰুদ্ধ কৰা হৈছিল। ১৯৪০ চনত আৰু এছ্-পি দল গঠণত শ্ৰী চৌধুৰীয়ে উল্লেখনীয় ভূমিকা গ্ৰহণ কৰি ১৯৯৫ চনলৈ ইয়াৰ সাধাৰণ সম্পাদক হৈ কাৰ্য্যনিৰ্বাহ কৰিছিল। চৌধুৰীয়ে ১৯৫২ চনৰ পৰা ১৯৮৪ চনলৈ একেৰাহে ৭ বাৰ লোক সভালৈ আৰু ১৯৮৭ আৰু ১৯৯৩ ত ক্ৰমে দুবাৰ ৰাজ্যসভালৈ সদস্য নিৰ্বাচিত হৈছিল। চিৰকুমাৰ চৌধুৰীয়ে ইংৰাজী, হিন্দী আৰু বঙ্গালী ভাষাত কেবাখনো মূল্যবান আৰু তত্বগধুৰ পুথি লিখি ভাৰতীয় সাহিত্য সংস্কৃতিলৈ অৱদান দি থৈ গৈছে। এই গৰাকী প্ৰবীন মুক্তি যোদ্ধা, সাংবাদিক তথা সাংসদৰ যোৱা ২১ ডিচেম্বৰৰ পুৱা দিল্লীত পৰলোকগামী হয়। চৌধুৰীৰ মৃত্যুত দেশে এজন প্ৰকৃত সমাজ সেৱক, সাংবাদি, সাহিত্যিক আৰু ৰাজনীতিকবিদক হেৰুৱালে।

এতিয়া মই মাননীয় সদস্য সকলক নিজৰ নিজৰ আসনত থিয় হৈ এক মিনিট সময় মৌনতা অৱলম্বন কৰি বিদেহী আত্মাৰ চিৰ শান্তি কামনা কৰিবলৈ অনুৰোধ কৰিলো।

**মাননীয় অধ্যক্ষ** ঃ ২৭/১২/৯৭ তাৰিখৰ পুৱা ৯ বজালৈ সদন স্থগিত ৰখা হল।

## ADJOURNMENT

The House then stood adjourned at 10.43 A.M. till 9 A.M. tomorrow the 27th December, 1997.

**DISPUR**
The 26th December, 1997

***D. TALUKDAR***
Secretary
Assam Legislative Assembly

# Annexure-I

## জেৰা কৰা বিষয়া সকলৰ তালিকা

| নাম | | |
|---|---|---|
| ১) শ্ৰী ভোলা নাথ দলে | - | Joint Commissioner of Transport. |
| ২) শ্ৰী বেণী মাধৱ দলে | - | Deputy Commissioner, Transport. |
| ৩) শ্ৰী সীতাৰাম দলে | - | Enforcement Inspector. |
| ৪) শ্ৰী আচগৰ আলী আহমেদ | - | ,, |
| ৫) শ্ৰী দৰীজেন দাস | - | ,, |
| ৬) শ্ৰী মুনীন কুমাৰ দাস | - | ,, |
| ৭) শ্ৰী দ্বীপজ্যোতি নেওগ | - | ,, |
| ৮) শ্ৰী প্ৰবীন বিহাৰী দাস | - | ,, |
| ৯) শ্ৰী ৰূপক পূজাৰী | - | ,, |
| ১০) শ্ৰী ৰমেন্দ্ৰ কুমাৰ চৌধুৰী | - | ,, |
| ১১) শ্ৰী উত্তম কুমাৰ চৌধুৰী | - | ,, |
| ১২) শ্ৰী বুবুল কুমাৰ গগৈ | - | ,, |
| ১৩) শ্ৰী ধৰণী দুৱৰা | - | ,, |
| ১৪) শ্ৰী বীৰভদ্ৰ হাগজেৰ | - | Joint Commissioner of Transport. |
| ১৫) শ্ৰী প্ৰদীপ নুনিছা | - | Enforcement Inspector. |
| ১৬) শ্ৰী নন্দেশ্বৰ লহকৰ | - | ,, |
| ১৭) শ্ৰী গৌতম দাস | - | ,, |
| ১৮) শ্ৰী কৃষ্ণৰাম বৈশ্য | - | ,, |
| ১৯) শ্ৰী চৈয়দ আলম | - | ,, |
| ২০) শ্ৰী আব্দুল মজিদ | - | ,, |
| ২১) শ্ৰী জিতেন্দ্ৰ নাথ গগৈ | - | ,, |
| ২২) শ্ৰী হাচিল আলী চৌধুৰী | - | ,, |
| ২৩) শ্ৰী গুণকান্ত বৰা | - | ,, |

| | | |
|---|---|---|
| ২৪) শ্ৰী সুনিত কুমাৰ বৰা | - | ,, |
| ২৫) শ্ৰী ভোগেশ্বৰ পেগু | - | ,, |
| ২৬) শ্ৰী সুনন্দা সেনগুপ্ত | - | Joint Director, Transport |
| ২৭) শ্ৰী জয় গোবিন্দ দত্ত | - | Asstt. Enforcement Inspector. |
| ২৮) শ্ৰী দীপক দাস | - | Enforcement Checker. |
| ২৯) শ্ৰী দিলিপ কুমাৰ দাস | - | ,, |
| ৩০) শ্ৰী মন্টু নাজৰিী | - | ,, |

## গ্ৰেপ্তাৰ কৰা বিষয়া সকলৰ তালিকা

| নাম | | |
|---|---|---|
| ১) শ্ৰী বেণী মাধৱ দলে | - | Deputy Commissioner, Transport. |
| ২) শ্ৰী সুনিত কুমাৰ বৰা | - | Enforcement Inspector |
| ৩) শ্ৰী হাচিল আলী চৌধুৰী | - | ,, |
| ৪) শ্ৰী গুণকান্ত বৰা | - | ,, |

# Annexure-II

## List of Schools where Tara Pump Installed

| Name of L.A.C | Name of Schools | Nos. of Tara Pump Installed |
|---|---|---|
| Chapaguri | 1. 1 No. Dongiri gaon L.P. School | 1 |
| | 2. Kaklabari Jr. Basic School | 1 |
| | 3. Randanipara Gudi Faraishali (Kaklabari) | 1 |
| | 4. 1850 No. Kaklabari Gudi faraisali | 1 |
| | 5. Anjalu Gudi Faraisali L.P. School | 1 |
| | 6. Barbandh L.P. School | 1 |
| | 7. 1 No. Semethia Para L.P. School | 1 |
| | 8. Pachim Singrapara L.P. School | 1 |
| | 9. Pub Singrapara L.P. School | 1 |
| | **Total** | **9 Nos. Tara Pump** |

# Annexure-II

**Probable Supplimentaries (Assembly Question D. No-41)**

List of Tara Pump received from Education Deptt. for installation under Chapaguri L.A.C

| Name of L.A.C | Name of Schools | Nos. of Tara Pump Installed | Remarks |
|---|---|---|---|
| 1 | 2 | 3 | 4 |
| Chapaguri L.C.C. | 1. No.1 Dangrigaon | 1 | |
| | 2. Silbari Jr. Basic School | 1 | |
| | 3. No.248 Bhebla Basic School | 1 | |
| | 4. Laskhata Bithorai Gudi Foraisali L.P. | 1 | |
| | 5. Koklabari Jr. Basic School | 1 | |
| | 6. Bongaon | 1 | |
| | 7. Bargaon Nath Sapa L.P | 1 | |
| | 8. Randhanipar Gudi Faraisali | 1 | |
| | 9. Bhabarsing L.P. | 1 | |
| | 10. Bhumkpar Bathon Gudi Foraisal | 1 | |
| | 11. Batabari Forest L.P. | 1 | |
| | 12. Chenglimari L.P. | 1 | |
| | 13. No.20 Simala Hajuah L.P. | 1 | |
| | 14. No. 264 Kamardalsa L.P. | 1 | |
| | 15. No.1274 Baniga Kuchi L.P. | 1 | |
| | 16. No.681 Hatijan L.P. | 1 | |
| | 17. No.1850 Kaklabari Gudi Foraial | 1 | |
| | 18. Bagnajani Girls M.E.School | 1 | |
| | 19. Deodhara M.E. | 1 | |
| | 20. C.K.M.E.School | 1 | |
| | 21. Anjali Gudi Foraisal | 1 | |
| | 22. Pub-Baramchari | 1 | |

| 1 | 2 | 3 | 4 |
|---|---|---|---|
| | 23. Sanbari L.P. | 1 | |
| | 24. Katligaon | 1 | |
| | 25. Bhogpara Narayanpur L.P. | 1 | |
| | 26. Bhogpara Khagrabari L.P. | 1 | |
| | 27. Palashguri Bhogpara L.P. | 1 | |
| | 28. Bathoupuri Bodo Medium L.P. | 1 | |
| | 29. Khandakuta L.P. | 1 | |
| | 30. No.1 Samthipara Banipara | 1 | |
| | 31. Katabri L.P. | 1 | |
| | 32. Pachim Singrapara L.P. | 1 | |
| | 33. Singrapara | 1 | |
| | 34. Barbandh L.P. | 1 | |
| | 35. Rampur Nadipar L.P. | 1 | |
| | 36. Bhutankuthi L.P. | 1 | |
| | 37. Madhupur L.P. | 1 | |
| | 38. Indralal Pathar Girls School | 1 | |
| | 39. Durgapur L.P. | 1 | |
| | 40. Nikashi L.P. | 1 | |
| | 41. Chuli Kara L.P. | 1 | |
| | | **Total41 Nos.** | |

Annexure-III

পৰিশিষ্ট -১

১৯৯৭-৯৮ চনত সম্পন্ন কৰিব লগা নতুন বাগানৰ তালিকা

| আচঁনি | মহকুমা<br>ধুবুৰী | বিলাসীপাৰা | দক্ষিণ শালমাৰা মানকাচাৰ |
|---|---|---|---|
| সামাজিক বনানিকৰণ | গাইগুটীয়া বৃক্ষৰোপন<br>- ৫৩৫ ডাল | গাইগুটীয়া বৃক্ষৰোপন<br>- ১৩৪ ডাল | গাইগুটীয়া বৃক্ষৰোপন<br>- ৯১ ডাল |
| | | সমূহীয়া বৃক্ষৰোপন<br>- ৫ হেক্টৰ | চিমেন্ট বস্তা ওখ পুলি ১০০০ সংখ্যা উৎপাদন |
| | শাল পুনৰ উৎপাদন<br>১৫ হেক্টৰ | সমূহীয়া বৃক্ষৰোপন<br>- ১৫ হেক্টৰ | |
| | নাই | নাই | নাই |
| অঞ্চল ভিত্তিত ইন্ধন হেক্টৰ আৰু পশুখাদ্য বৃক্ষৰোপন আচঁনি | সমূহীয়া বৃক্ষৰোপন (বাগান)<br>১০০ হেক্টৰ | সমূহীয়া বৃক্ষৰোপন (বাগান)<br>১৫০ হেক্টৰ | সমূহীয়া বৃক্ষৰোপন (বাগান) ৫০ |

| | | | |
|---|---|---|---|
| জনজাতি উন্নয়ন আচঁনি | গাইগুটীয়া বৃক্ষৰোপন - ৪৮ ডাল<br>শাল পুনৰ উৎপাদন - ১ হেক্টৰ | গাইগুটীয়া বৃক্ষৰোপন - ২৫ ডাল<br>সমূহীয়া বৃক্ষৰোপন - ১ হেক্টৰ | - |
| অনুসূচীত জনজাতি উন্নয়ন আচঁনি | পথৰ দাতিৰ বাগান ১ কিঃমিঃ<br>পুলিৰ উৎপাদন কেন্দ্ৰ ১ হেক্টৰ<br>গাইগুটীয়া বাগান ৫০ ডাল<br>সমূহীয়া বাগান ৫ হেক্টৰ<br>গাইগুটীয়া বাগান ৫৩ ডাল | পথৰ দাতিৰ বাগান ১ কিঃমিঃ<br>সমূহীয়া বাগান ৫০ হেক্টৰ<br>গাইগুটীয়া বাগান ৫০ ডাল<br>সমূহীয়া বাগান ৫ হেক্টৰ<br>গাইগুটীয়া বাগান ২৭ ডাল | - |

## পৰিশিষ্ট - ২

### যোৱা পাচঁ বছৰত আচঁনিৰ অধীনত বৃক্ষৰোপণ কৰা স্কুল সমূহৰ তালিকা

| | মহকুমা | | |
|---|---|---|---|
| বছৰ | ধুবুৰী | বিলাসীপাৰা | দক্ষিণ শালমাৰা মানকাচাৰ |
| ১৯৯২-৯৩ | নাই | ১৯৯২-৯৩ নাই | ১৯৯২-৯৩ নাই |
| ১৯৯৩-৯৪ | নাই | ১৯৯৩-৯৪ নাই | ১৯৯৩-৯৪ নাই |
| ১৯৯৪-৯৫ | কাজিগাওঁ হাইস্কুল | ১৯৯৪-৯৫ ফুটকীবাৰী হাইস্কুল | ১৯৯৪-৯৫ নাই |
| ১৯৯৪-৯৫ | ৰাশবাৰী হাইস্কুল | ১৯৯৪-৯৫ বন্দীহানা হাইস্কুল | ১৯৯৪-৯৫ নাই |
| ১৯৯৫-৯৬ | জগমোহন হাইস্কুল, গোলোকগঞ্জ | ১৯৯৫-৯৬ দুলীগাওঁ এম, ই, স্কুল | ১৯৯৫-৯৬ নাই |
| ১৯৯৫-৯৬ | বেৰভাহী হাইস্কুল | ১৯৯৫-৯৬ ববকন্দা হাইস্কুল | ১৯৯৬-৯৭ নাই |
| ১৯৯৫-৯৬ | ছত্ৰশাল হাইস্কুল | ১৯৯৫-৯৬ নিফে আলকগাল হাইস্কুল | ১৯৯৬-৯৭ নাই |
| ১৯৯৫-৯৬ | বগকাপাৰ মাদ্ৰাছা | ১৯৯৫-৯৬ চাপৰ ছোৱালী এম, ই, স্কুল | |
| ১৯৯৫-৯৬ | মটেৰজাৰ ছিনিয়ৰ বেছিক স্কুল | ১৯৯৫-৯৬ আৰেয়াৰ ছোৱালী এল, পি, হাইস্কুল | ১৯৯৬-৯৭ নাই |
| ১৯৯৬-৯৭ | দুকী সুকী এল, পি, স্কুল | ১৯৯৬-৯৭ নাই। | |
| ১৯৯৬-৯৭ | জে, এন, একাডেমী, ৰূপসী | ১৯৯৫-৯৬ নাই। | |
| ১৯৯৬-৯৭ | চিনময় ছোৱালী হাইস্কুল (গোলোকগঞ্জ) | | |

# Annexure-IV

## LIST OF DEAD

1. Pateswari Devi (50)
W/O Kamaleswar Nath of
Saraibahi. P.S. Mikirbheta.

2. Habibur Rahman (40)
S/O Lt. Abdul Hamid of
Saruchala. P.S. Mikirbheta.

3. Maniki Devi (60)
W/O. Sri Ram Charan Nath
of Hatibat. P.S. Mikirbheta

4. Nirala Devi (60)
W/O Bhog Ram Nath
Borbhugia Hayengia. P.S.
Mikirbheta

5. Binod Nath (6)
S/O. Dipen Nath
of Akarabari. P.S. Dhing

6. Naremai Bora (25)
W/O Lamudhar Borah of
Parasutangani. P.S. Mikirbheta

7. Champawati Devi (65)
W/O.Kamal Nath of
Borigaon. P.S. Mikirbheta

8. Sumi Hazarika
D/O Jiban Hazarika of
Tarabori. P.S. Mikirbheta

9. Gitanjali Devi (14)
D/O. Basanta Nath of
Barpetabori. P.S.
Mikirbheta

10. Munchi Patar (4)
D/O Basanta Patar of
Barpetabori. P.S.
Mikirbheta

11. Joshna Pator (1 $\frac{1}{2}$)
D/O. Laskar Patar of
Dhurasap. P.S. Mikirbheta

12. Minakhi Patar (8)
D/O. Lt. Nandi Ram Patar
of
Majorbari. P.S. Mikirbheta

13. Kanu Patar (25)
W/O. Ratna Kanta Patar
of Majorbari. P.S.
Mikirbheta

14. Dipika Patar (1 $\frac{1}{2}$)
D/O Kanu Patar of
Majorbari. P.S. Mikirbheta

15. Phuleswari Bhuyan (60)
W/O Dambarudhar Bhuyan
Torabori. P.S.Mikirbheta

16. Moina Saikia (30)
W/O. Bhogi Ram Saikia
Tamulbori. P.S. Mikirbheta

17. Ambika Saikia (32)
W/O Gambhi Ram Saikia
Tamulbori. P.S. Mikirbheta

18. Gunalata Devi (14)
D/O. Sukleswar Nath
Charaibahi. P.S. Mikirbheta

19. Fechu Devi (60)
W/O. Lt. Jaguram Nath
Akarabori. P.S. Dhing

20. Pradip Nath (22)
S/O. Ghanan Kt. Nath
Habibarangabari. P.S.
Mikirbheta

21. Adit Patar (6)
S/O. Laskar Patar
Dhorasap. P.S. Mikirbheta

22. Babu Nath (5)
S/O. Bhog Ram Nath
Charaibahi. P.S. Mikirbheta

23. Mala Devi (12)
D/O. Subheswar Nath
Mayangia. P.S. Mikirbheta

24. Mohendra Deka (15)
S/O. Mulasing Deka
Barapujia, Salakhabori
P.S. Mikirbheta

25. Rupanti Bordolai (50)
W/O. Kaliram Bordolai
Garapara. P.S. Laharighat

26. Binita Bordolai (14)
D/O. Lt. Kaliram Bordolai
Garapara. P.S. Laharighat

27. Bibi Patar (8)
D/O. Munindra Patar
Majorbori. P.S. Mikirbheta

## LIST OF INJURED PERSONS

1. Smti Milika Patar (50)
   W/O Lt. Nandi ram Patar
   Majorbari. P.S. Mikirbheta
2. Smti. Parla Deka (5) Serious
   D/O Mukhmal Deka
   Gapapar. P.S. Laharighat
3. Smti Sarumati Devi (30)
   W/O. Atul Ch. Nath
   Habibarangabari. P.S.
   Mikirbheta.
4. Smti Alpana Devi (35)
   W/O. Dipen Nath
   Akrabari. P.S. Mikirbheta
5. Smti Tilu Bezbaruah (48)
   Rangadori. P.S. Mikirbheta
   P.S. Mikirbheta
6. Smti Tilu Devi (21)
   W/O. Pradip Nath
   Mikirbheta. P.S. Mikirbheta
7. Ram Charan Nath (50)
   S/O Lt. Kanpai Nath
   Hatibat. P.S. Mikirbheta
8. Ganesh Bezbaruah (50)
   S/O Lt. Bapuram Bezbaruah
   Rangdorai. P.S. MIkirbheta
9. Nandeswar nath (59)
   S/o. Lt. Tanu Ram Nath
   Habarangabari. P.S. Mikirbheta
10. Md. Badul Ali (30)
    S/O. Md. Swahid Ali
    Bhalukaguri. P.S. Mikirbheta
11. Khagen Nath (23)
    S/O. Lt. Cheni Ram Nath
    Akarabori. P.S. Dhing
12. Smti Ranjita Konwar (26)
    D/O. Sri Narendra Konwar
    Palahguri. P.S. Mikirbheta
13. Smti Bhadimai Devi (30)
    W/O Guna Ram Nath
    Charaibahi Mayengia
    P.S. Mikirbheta
14. Smti Dulahi Patar (32)
    W/O. Laskar Patar
    Rangadoria. P.S. Mikirbheta
15. Kamal Ch. Bordolai (50)
    Lt. Bulan Ch. Bordolai
    Rangadorai. P.S. Mikirbheta
16. Bikul Ch. Nath (50)
    S/O Lt. Bhuli ath
    Borpetabori. P.O. Mikirbheta
17. Basanta Kumar Nath (25)
    S/o Lt. Debeswar Nath
    Rangadoria. P.S. Mikirbheta
18. Hemanta Kumar Saikia (25)
    S/O Lt. Nara Kanta Nath
    Rangadoria. P.S. Mikirbheta

19. Dhurbajyoti Nath
S/O Nandeswar Nath
Borpetabori. P.S.Mikirbheta

20. Krishna Borah (35)
S/O. Khargeswar Borah
Birahigaon. P.S. Mikirbheta

21. Md. Abdul Rod (30)
S/O. Lt. Adbdul Rahman
Jajori Bormanipur. P.S.
Mikirbheta

22. Jitumoni Saikia (14)
S/O Phanidhar Saikia
Bhalukguri. P.S. Mikirbheta

23. Nityananda Bordoloi (40)
S/O. Lt. Budhan Bordolai
Pashim Saragaon. Ps. Raha

# Annexure-V(A)

## তৰাবিহীন প্ৰশ্ন নং ২৭ (খ) প্ৰশ্নৰ আচঁনিৰ তালিকা
## জিলা ভিত্তিত মুঠ পথৰ দৈৰ্ঘ্য আৰু দলংৰ সংখ্যা

| ক্ৰঃ নং | জিলা | পথৰ দৈৰ্ঘ্য | দলংৰ সংখ্যা |
|---|---|---|---|
| ১) | কামৰূপ | ২১০.৮৭ কিঃ মিঃ | ৮১ খন |
| ২) | দৰং | ২৬১.৮২ কিঃ মিঃ | ২৯ খন |
| ৩) | লক্ষীমপুৰ | ২৩৭.০২ কিঃ মিঃ | ২৯ খন |
| ৪) | শিৱসাগৰ | ২১৮.৫৮ কিঃ মিঃ | ৩৯ খন |
| ৫) | নগাওঁ | ২৪৬.৭৬ কিঃ মিঃ | ৬১ খন |
| ৬) | কাছাৰ | ১৯৮.৫০ কিঃ মিঃ | ৩৩ খন |
| | | ১৩৭৩.৫৫ কিঃ মিঃ | ২৭২ খন |

## আৰ্চনিৰ তালিকা
## জিলা ঃ কামৰূপ

| ক্রঃ নং | আৰ্চনিৰ নাম | দৈৰ্ঘ্য (কিঃমিঃ) | পকী দলংৰ নং |
|---|---|---|---|
| ১) | ধূপগুৰী ঔগুৰি পথৰ উন্নয়ন | ৭.৬৫ | ৩/১, ৫/১, ৬/১, ৮/১ |
| ২) | ক্ষেত্ৰী গোলাপ বৰপাক পথৰ উন্নয়ন | ৭.৫৫ | ২/১, ২/৩, ৩/১. ৬/১, ৭/১ |
| ৩) | গান্ধী নগৰ কলংপাৰ পথৰ উন্নয়ন | ৮.৩১ | ১/২ |
| ৪) | বৰখাত বৰ্ণি পথৰ উন্নয়ন | ১৪.৩০ | ১/৩, ১১/৩, ১৩/৩, ১৫/১, ৬/১, ৮/২, ১০/৪ |
| ৫) | লোকপ্ৰিয় বৰদলৈ পথৰ উন্নয়ন | ১৮.০০ | ১/১, ৩/১, ৬/১, ১৫/১, ১৬/১ |
| ৬) | ডিগাৰু চন্দ্ৰপুৰ পথৰ উন্নয়ন | ১৭.০০ | ১/২, ১০/১, ১৭/১ |
| ৭) | বকো চমৰীয়া পথৰ উন্নয়ন | ১৩.০০ | ৪/১, ৮/১, ৯/২, ১০/১, ১০/৩, ১১/১, ১২/১ |
| ৮) | চমৰীয়া সোণতলী পথৰ উন্নয়ন | ১১.৮৫ | ৩/১, ৬/১, ৬/২, ৭/২, ৮/১, ১১/২ |
| ৯) | শিংৰা হেকৰা পথৰ উন্নয়ন | ১৫.০০ | ১/১, ৯/১, ১৩/৩, ১৫/১, ১৫/২ |
| ১০) | লামপাৰা গৰৈমাৰী পথৰ উন্নয়ন | ১৫.১৫ | ৪/১, ৬/৩, ৬/৪, ৮/১, ৮/২, ৮/৩ |
| ১১) | ছয়গাওঁ ঔগুৰী পথৰ উন্নয়ন | ৬.৪০ | ১/১, ১/৪, ৫/১ |
| ১২) | চাংসাৰি চেচাঁমুখ পথৰ উন্নয়ন | ৪.৩০ | ৪/১ |
| ১৩) | কেন্দুকণা চাংসাৰি পথৰ উন্নয়ন | ৩.০০ | ১৫/৪, ১৬/২ |

| | | | |
|---|---|---|---|
| ১৪) | হাজো ভোমা উলখুৰা ওৰগাল পথৰ উন্নয়ন | ২৪.০০ | ১/১, ১/২, ৪/১ |
| ১৫) | বৰ্ণি বৰচলি পথৰ উন্নয়ন | ২.৫ | ২/১ |
| ১৬) | ৰঙিয়া হাজো পথৰ উন্নয়ন | ১২.০০ | ১/১, ১৫/১, ১৭/১, ১৯/১, |
| ১৭) | পলাশবাৰী লোহাৰ ঘাট পথৰ উন্নয়ন | ১৭.৫০ | ২/১, ৩/১, ৪/১, ৪/৩, ১০/১, ১০/২ |
| ১৮) | লোহাৰঘাট কুলশী ঔগুৰি পথৰ উন্নয়ন | ৪.০০ | ১৩/১, ১৬/১, ১/২, ২/২, ৩/১, ৪/২ |
| ১৯) | ঝাৰোবৰি লেংটা লোহাৰঘাট পথৰ উন্নয়ন | ৬.০০ | ৪/১ |
| ২০) | কোকঝাৰ বঙৰা পথৰ উন্নয়ন | ৩.০০ | ৩/১, ৪/১ |
| ২১) | চিকাৰহাটী চনপাৰা পথৰ উন্নয়ন | ৩.০০ | ২/১, ৩/১ |
| | মুঠ | ২১০.৮৭ কিঃমিঃ | ৮১ খন |

আচঁনিৰ তালিকা
জিলা ঃ দৰং

| ক্রঃ নং | আচঁনিৰ নাম | দৈৰ্ঘ্য (কিঃমিঃ) | পকী দলংৰ নং |
|---|---|---|---|
| ১) | মঙ্গলদৈ মাজিকুচি পথৰ উন্নয়ন | ২১.০০ | ৮/১ |
| ২) | ৰঙামাটি কলাইগাওঁ পথৰ উন্নয়ন | ১৬.০০ | ৯/১, ১১/১, ১৭/১ |
| ৩) | মাজবাট গোলাবিল পথৰ উন্নয়ন | ৭.৮০ | ৪/১, ৫/১, ৫/২, ৮/২ |
| ৪) | দুমুনিচকী কুৰুৱা পথৰ উন্নয়ন | ১৪.০০ | ৬/১, ৮/১ |
| ৫) | আন্ধাৰীঘাট জয়ন্তীপুৰ পথৰ উন্নয়ন | ১৪.০০ | ১৫/৩ |
| ৬) | মঙ্গলদৈ পাথৰীঘাট খৈৰাবাৰী পথৰ উন্নয়ন | ১০.০০ | ৪/২, ৭/১, ৮/১, ১৩/৩ |
| ৭) | মঙ্গলদৈ মহলীয়াপাৰা পথৰ উন্নয়ন | ১৫.০০ | ৫/১ |
| ৮) | বেচিমাৰী দৈপাম পথৰ উন্নয়ন | ৭.০০ | ৩/১ |
| ৯) | খাৰুপেটীয়া পানবাৰী পথৰ উন্নয়ন | ৭.৫০ | ৮/৩ |
| ১০) | কুৱাঁৰী পুখুৰী দৈপাম পথৰ উন্নয়ন | ৮.০০ | - |
| ১১) | বেচিমাৰী জংলাপাৰ পথৰ উন্নয়ন | ৫.৩৫ | - |
| ১২) | কৌপাটী কাচমাৰী পথৰ উন্নয়ন | ৫.৩৫ | - |
| ১৩) | দলগাঁও কুৱৰীপুখুৰী পথৰ উন্নয়ন | ৬.৪০ | ৫/১ |
| ১৪) | বাটাবাৰী জগলপাৰা পথৰ উন্নয়ন | ২.৭২ | ২/২ |
| ১৫) | শিমলুগুৰী দৈপাম পথৰ উন্নয়ন | ৩.৫০ | ১/১ |
| ১৬) | চিকণমাটি বৰবৰা পথৰ উন্নয়ন | ২.৯০ | ২/১ |
| ১৭) | শ্যামটিলা ভেৰভেৰী পথৰ উন্নয়ন | ৩.৭০ | ১/১ |
| ১৮) | ওৰাং দলগাওঁ পথৰ উন্নয়ন | ১৭.০০ | ৫/১ |
| ১৯) | ধেনুগুৰী শিলবৰী পথৰ উন্নয়ন | ১০.০০ | - |

| | | | |
|---|---|---|---|
| ২০) | ওদালগুৰি খাৰুপেটীয়া পথৰ উন্নয়ন | ৮.৫০ | ১২/১ |
| ২১) | মেডিকেল চাবচেন্টাৰ পথৰ উন্নয়ন | ৩.৪০ | - |
| ২২) | চিকণমাটি দৈপাম পথৰ উন্নয়ন | ২.৭০ | ১/১ |
| ২৩) | মঙ্গলদৈ ভূটিয়াচাং পথৰ উন্নয়ন | ৮.০০ | ৮/২ |
| ২৪) | কবিৰআলি কুন্দৰবিল পথৰ উন্নয়ন | ১৫.০০ | ১/৩ |
| ২৫) | কলাইগাওঁ হৰিশিঙ্গা পথৰ উন্নয়ন | ১৭.০০ | ১৪/১ |
| ২৬) | মেকেঞ্জি পথৰ উন্নয়ন | ১৮.০০ | - |
| ২৭) | অমৰাগাওঁ বৰীগাওঁ পথৰ উন্নয়ন | ১২.০০ | |
| | | ২৬১.৮২ | ২৯ |

মুঠ পথৰ দৈৰ্ঘ্য = ২৬১.৮২ কিঃমিঃ

মুঠ পকী দলংৰ নং = ২৯ নং

## আচঁনিৰ তালিকা
## জিলা ঃ লক্ষীমপুৰ

| ক্ৰঃ নং | আচঁনিৰ নাম | দৈৰ্ঘ্য (কিঃমিঃ) | পকী দলংৰ নং |
|---|---|---|---|
| ১) | পানীগাওঁ মেৰকাটি আহোমনী পথৰ উন্নয়ন | ২১.০০ | ১/১, ১/২, ৩/৩ |
| ২) | গেন্ধেলী কনকেশ্বৰ দত্তপথৰ উন্নয়ন | ৯.৪০ | ২/২, ৪/১ |
| ৩) | কাকৈ চাৰিআলিৰ পৰা শোৱণশিৰী পাৰঘাটলৈ পথৰ উন্নয়ন | ৩.৩৪ | ৩/৪ |
| ৪) | লীলাবাৰী পথৰ উন্নয়ন | ৬.৬১ | ২/৪ |
| ৫) | আজাদ পানীগাওঁ পথৰ উন্নয়ন | ১০.২০ | ৫/৩ |
| ৬) | গড়েহাগা ঘাৰমাৰা পথৰ উন্নয়ন | ৪.০৬ | ৩/১ |
| ৭) | চৰাইমাৰী যোৰহাটীয়া বধাকটা পথৰ উন্নয়ন | ২.৮৯ | ৩/১ |
| ৮) | বিহুৱাপাম বৰাকটা পথৰ উন্নয়ন | ৩.৩০ | ১/১ |
| ৯) | দোলাহাট কটালপুখুৰী পথৰ উন্নয়ন | ৩.৫১৯ | - |
| ১০) | দিজু ৰামপুৰ পথৰ উন্নয়ন | ৬.৪৬ | - |
| ১১) | ইচলামপুৰ শালমাৰা বজাৰ পথৰ উন্নয়ন | ১২.৮৯ | ৯/১, ৯/২ |
| ১২) | বিহপুৰীয়া বৰ্ণালী পথৰ উন্নয়ন | ১০.৪০ | ১/১, ৪/২ |
| ১৩) | বঙালমাৰা মালাপিন্ধা পথৰ উন্নয়ন | ৯৩.১২ | - |
| ১৪) | ধলপুৰ শিমলূগুৰী পথৰ উন্নয়ন | ৯.৬০ | ২/১ |
| ১৫) | ৰঙটি শিমলুগুৰী আৰিমোৰাঘাট পথৰ উন্নয়ন | ১৯.২০ | ১২/২ |
| ১৬) | পিচলা গমটৌ মঘোৰা ৰঙটি পথৰ উন্নয়ন | ৬.৭০ | ৫/১ |
| ১৭) | মাধৱপুৰ ঢুলীয়াপথাৰ পথৰ উন্নয়ন | ৮.৬৫ | ৮/১ |
| ১৮) | ঢলপুৰ শোৱণশিৰীমুখ পথৰ উন্নয়ন | ১০.০০ | ৩/১ |

| | | | |
|---|---|---|---|
| ১৯) | ঢকুৱাখানা ঘুণাসুঁতি পথৰ উন্নয়ন | ১৫.৫০ | ৮/১ |
| ২০) | চেলামুখলৈ জলভৰি কেকুৰী পথৰ উন্নয়ন | ১৩.০০ | ৮/১ |
| ২১) | মৰনৈ বেবেজীয়া বৰদৈং বাম বিলমুখ গা দঙ্গাৰ চোক পথৰ উন্নয়ন | ১৯.২৭ | ৭/১ |
| ২২) | এস, বি, জি, পথৰ উন্নয়ন (ঢকুৱাখানা তেকেলীফুটা পথৰ পৰা) | ১২.০০ | ২/১ |
| ২৩) | সোণাৰী চাপৰি কেকুৰী পমুৱা পথৰ উন্নয়ন | ৬.৮৩ | ২/১ |
| ২৪) | আমগুৰিলৈকে দাংধৰা কেকুৰী ইউনাইটেড হাইস্কুল পথৰ উন্নয়ন | ৫.০০ | - |
| ২৫) | শিঙিয়া গোবিন্দপুৰ পথৰ উন্নয়ন | ৬.৮৫ | ৬/১ |
| ২৬) | হৰহি গন্ধিয়া পথৰ উন্নয়ন | ৬.৭৩ | ৪/১ |
| ২৭) | পিঠিয়াল পাপুং পথৰ উন্নয়ন | ৫.৮০ | ১/১, ৫/১ |
| | মুঠ | ২৩৭.০২ | ২৯ নং |

## আচঁনিৰ তালিকা
## জিলা ঃ শিৱসাগৰ

| ক্রঃ নং | আচঁনিৰ নাম | দৈৰ্ঘ্য (কিঃমিঃ) | পকী দলংৰ নং |
|---|---|---|---|
| ১) | ধায়আলি পথৰ উন্নয়ন | ৬.২১৪ | ২/১ |
| ২) | পানবেচা আলি পথৰ উন্নয়ন | ৪.৫০ | ২/১ |
| ৩) | কোঁৱৰপুৰ পানবেচা আলি পথৰ উন্নয়ন | ৪.২০ | ৩/৪ |
| ৪) | তামুলী বজাৰ নআলি পথৰ উন্নয়ন | ৪.০০ | - |
| ৫) | মানকাটা আলি পথৰ উন্নয়ন | ৬.২১৪ | ২/১ |
| ৬) | মাজগাওঁ ভিতৰুৱাল পথৰ উন্নয়ন | ৬.৪০ | - |
| ৭) | জামুগুৰি চামুগুৰি আলি পথৰ উন্নয়ন | ২.৪০ | - |
| ৮) | পুৰণি মিহা আলি পথৰ উন্নয়ন | ৩.৫০ | - |
| ৯) | হাফালুটিং গড়কাষৰীয়া আলি পথৰ উন্নয়ন | ২.০০ | - |
| ১০) | ভীযাবেলীমুখীয়া আলি পথৰ উন্নয়ন | ৮.৫৫ | ৩/১ |
| ১১) | নিতাই ভীমবৰ আলি পথৰ উন্নয়ন | ৫.০৩৮ | ৫/১ |
| ১২) | পুৰণি নেতাজী আলি পথৰ উন্নয়ন | ১২.০০ | ৭/২, ৯/২ |
| ১৩) | বামাৰ বেঙেনা আলি পথৰ উন্নয়ন | ৬.৪০ | ৩/৬ |
| ১৪) | ডিচাং মুখ আলি পথৰ উন্নয়ন | ১২.০০ | ১/৩ |
| ১৫) | ৰাজগড় ভূজো পথৰ উন্নয়ন | ১.৭০ | ১/৩ |
| ১৬) | মহমৰা আলি পথৰ উন্নয়ন | ৬.৭০ | ৫/১ |
| ১৭) | কচুমাৰী বনমালী পথৰ উন্নয়ন | ১২.০০ | ৯/৫, ৫/২ |
| ১৮) | শালৈঘুগুৰা দবা আলি পথৰ উন্নয়ন | ৩.০০ | ১/১, ৩/৩ |

| | | | |
|---|---|---|---|
| ১৯) | নিমলাগড় পথৰ উন্নয়ন | ৭.৬৫ | ৭/১ |
| ২০) | মিছাজান পথৰ উন্নয়ন | ৫.০০ | ৫/১ |
| ২১) | নহৰ আলি পথৰ উন্নয়ন | ৭.৩০ | - |
| ২২) | আইদেউবাৰী পথৰ উন্নয়ন | ১৪.০০ | ১/৪, ১২/১ |
| ২৩) | হাতীপুখুৰী আলি পথৰ উন্নয়ন | ৭.০০ | ১/১, ২/১ |
| ২৪) | সম্প্ৰসাৰিত দক আলি পথৰ উন্নয়ন | ৪.০০ | ২/১ |
| ২৫) | সম্প্ৰসাৰিত নাহৰ আলি পথৰ উন্নয়ন | ৫.৬০ | - |
| ২৬) | ৰাইদেঙ্গীয়া নৰবাৰী পথৰ উন্নয়ন | ৮.৬০ | ৬/১ |
| ২৭) | কাঠকটীয়া বড়ো আলি পথৰ উন্নয়ন | ৮.২০ | ৬/২, ৭/১, ৮/১, ১২/১, ১৩/১ |
| ২৮) | বৰফুকন আলি পথৰ উন্নয়ন | ১০.২৪০ | ২/১, ৪/৪, ১১/২ |
| ২৯) | চকীমুখ সন্দিকৈ গাওঁ আলি পথৰ উন্নয়ন | ৮.০০ | ৮/৩ |
| ৩০) | শিলকুটি সেন্দৰী আলি পথৰ উন্নয়ন | ৫.৯০ | - |
| ৩১) | জয়নামদাং মলাগাওঁ আলি পথৰ উন্নয়ন | ৩.৭৬০ | ৪/১ |
| ৩২) | চৰাই আলি পথৰ উন্নয়ন | ৫.৪০ | ২/১, ৩/১, ৪/১ |
| ৩৩) | মাকলুৰী যোগায় আলি পথৰ উন্নয়ন | ৮.৬০ | - |
| ৩৪) | ন আলি পথৰ উন্নয়ন | ৬.৪৩ | ৬/২ |
| ৩৫) | ৰমণী আলি পথৰ উন্নয়ন | ৪.৪০ | ১/২ |
| | | ২১৮.৫৮ | ৩৯ |

## আচঁনিৰ তালিকা
## জিলা ঃ নগাওঁ

| ক্রঃ নং | আচঁনিৰ নাম | দৈৰ্ঘ্য (কিঃমিঃ) | পকী দলংৰ নং |
|---|---|---|---|
| ১) | আমবাগান কাটপাৰা শোলমাৰী শিঙিমাৰী পথৰ উন্নয়ন | ১৪.৪৭ | ৬/২, ৯/২, ১০/১ |
| ২) | শিলঘাট লাওখোৱা পথৰ উন্নয়ন | ৯.৭৩ | ৮/১, ১২/১ |
| ৩) | ব্ৰহ্মপুৰ বামুনী পথৰ উন্নয়ন | ২.২০ | ৬/১ |
| ৪) | শিলঘাট লাওখোৱা পথৰ উন্নয়ন | ৮.০০ | ৭/২, ৯/২ |
| ৫) | বোৰামাৰা শিৱস্থান পথৰ উন্নয়ন | ৭.০০ | ১/১ |
| ৬) | চোনাই চৈদৰীয়া পথৰ উন্নয়ন | ৭.৭৫ | ১৮/১, ১৯/১, ২০/১ |
| ৭) | চামুগুৰী শিঙিমাৰী লাইলুৰী পথৰ উন্নয়ন | ১১.৭৯৫ | ১/২, ৭/১, ১২/১, ১৩/১ |
| ৮) | শোলাল মাধৱশোলাল পথৰ উন্নয়ন | ৫.২৭ | ৪/১, ৫/২ |
| ৯) | তালিয়াগাওঁ গড়াজান পথৰ উন্নয়ন | ৫.৮০ | ১/১, ৫/১ |
| ১০) | লালচান্দ মোদীমিল পথৰ উন্নয়ন | ৪.০০ | ৩/১ |
| ১১) | কাহীগুৰী কটাহগুৰী ৰূপহীতলী টোপাকুচী পথৰ উন্নয়ন | ৬.৪০ | ৫/১ |
| ১২) | নগাওঁ জুৰীয়া বালিকটীয়া পথৰ উন্নয়ন | ১৩.৮৪ | ১৬/১, ৩/১, ৭/১, ৮/১ |
| ১৩) | বৰচিলা আলিচিঙা নসত্ৰ পথৰ উন্নয়ন | ৫.০০ | ৫/১ |
| ১৪) | আমচৈ চাপৰমুখ পথৰ উন্নয়ন | ৯.০০ | ২/১, ১০/১ |
| ১৫) | বৰভেটী কাচমাৰী চকলাঘাট জাজৰী পথৰ উন্নয়ন | ৭.০০ | ৫/১, ১১/১, |
| ১৬) | বেবেজীয়া জামুগুৰী নম্যাটি কুজিদাহ পথৰ উন্নয়ন | ২.০০ | ১/১ |

| | | | |
|---|---|---|---|
| ১৭) | নগাওঁ ভূৰিগাওঁ পথৰ ৬ কিঃমিঃ ৰ পৰা ধিং হৈ ৰাইদিঙীয়া জুট ৰেটিং টেঙ্ক লৈ পথৰ উন্নয়ন | ১.৯০ | - |
| ১৮) | বৰদোৱাৰ পৰা ধিং হৈ দুমদুমীয়া বালিসত্ৰ পথৰ উন্নয়ন | ৮.০০ | ৩/১, ৫/১, ৭/১ |
| ১৯) | আৱবৰী হালধী চুটিপাৰ পথৰ উন্নয়ন | ৫.০০ | ৪/২ |
| ২০) | বেচামাৰী মৈৰাবাৰী পথৰ উন্নয়ন | ৭.০০ | ৫/১ |
| ২১) | ধিং খৈৰামাৰী পথৰ উন্নয়ন | ৫.০০ | - |
| ২২) | নগাওঁ লাওখোৱা পথৰ উন্নয়ন | ১২.০০ | ৪/১, ৮/১ |
| ২৩) | ডবকা গণিপুৰ দেৱস্থান পথৰ উন্নয়ন | ১৩.৮০ | ১/৪, ৮/১ |
| ২৪) | লংকা লামডিং গড়কাপ্তানী পথৰ পৰা ফুলতলী বজাৰলৈ পথৰ উন্নয়ন | ৭.৫০ | ১/১, ৮/১ |
| ২৫) | কাকী মাৰকেটাঙৰ পৰা কাকী প্ৰজেক্ট- ২ লৈ পথৰ উন্নয়ন | ৭.৯৩ | ৭/২ |
| ২৬) | নগাওঁ ঢলপুখুৰী হোজাই পথৰ উন্নয়ন | ১৩.০০ | - |
| ২৭) | আলিনগৰ কাপচবাৰী ডমৰু কাকী পথৰ উন্নয়ন | ৯.৫০ | ১৪/১ |
| ২৮) | কামৰূপ গড়খোলা বকুলগুৰী টুমৰং পথৰ উন্নয়ন | ৮.০০ | - |
| ২৯) | কচুৱাটিন আলিৰ পৰা চাতুন চাংখোলা পথৰ উন্নয়ন | ৪.০০ | ১/১, ১/২, ৩/১ |
| ৩০) | সৰুপথাৰ যমুনামুখ পথৰ উন্নয়ন | ৫.২০ | ২/১, ২/২, ৩/১, ৪/১, ৬/১, |
| ৩১) | চুটিয়াগাওঁ নলৈ পথৰ উন্নয়ন | ৯.৮৯ | ১/১ |
| ৩২) | দক্ষিণপথ কামপুৰ পথৰ উন্নয়ন | ৬.০০ | ১/২, ৭/৩, ৭/২, ৮/১, ৯/১ |

| | | | |
|---|---|---|---|
| ৩৩) | হয়বৰগাওঁ শেনচোৱা মোৱামাৰী কুহ বেবেজীয়া পথৰ উন্নয়ন | ৬.৯১ | - |
| ৩৪) | হাটীখুলিৰ পৰা যমুনা মৌদঙ্গা কৃষিপাম নিগম পথৰ উন্নয়ন | ২.০০ | - |
| ৩৫) | হোজাই মিলিয়াস্থি পথৰ হৈ ৰামপুৰ বাইকাটা পথৰ উন্নয়ন | ৪.০০ | - |
| ৩৬) | এন, এইচ- ৩.৬০ ৰ পৰা ৰঙ্গলু উৰিয়াপ্ৰান্টলৈ পথৰ উন্নয়ন | ৫.০০ | ১/১ |
| | মুঠ পথৰ দৈৰ্ঘ্য | ২৪৬:৭৬ | ৬১ |

মুঠ পকী দলংৰ সংখ্যা ৬১ খন।

ইয়াৰ উপৰিও ১৫ টা ৰাস্তা আৰু ১৩ খন দলং অৰ্ন্তভূক্ত কৰা হৈছে।

## আচঁনিৰ তালিকা
## জিলা ঃ কাছাৰ

| ক্রঃ নং | আচঁনিৰ নাম | দৈৰ্ঘ্য (কিঃমিঃ) | পকী দলংৰ নং |
|---|---|---|---|
| ১) | শিলচৰ চিলং পথৰ উন্নয়ন | ১৫.০০ | ২০/১ |
| ২) | শিলচৰ জয়ন্তীপুৰ পথৰ উন্নয়ন | ২০.৭০ | ২৬/৪, ৩০/১, ৩২/৩০ |
| ৩) | সোণাবাৰীঘাট সোনাই পথৰ উন্নয়ন | ৬.৫০ | - |
| ৪) | সোনাই মতিনগৰ দিদাৰকোচ পথৰ উন্নয়ন | ৩১.০০ | ৪/১, ৫/১, ১৫/১, ২৭/১ |
| ৫) | লক্ষীপুৰ ৰংগিৰঘাট আমজুৰ পথৰ উন্নয়ন | ১৬.৫০ | ৯/২, ১৩/১, ১৪/১ |
| ৬) | সোনাই কাবুগঞ্জ পথৰ উন্নয়ন | ৯.১০ | - |
| ৭) | টিলাইন ৰাজনগৰ কাতিগোৰাহ পথৰ উন্নয়ন | ২১.০০ | ৩/১ |
| ৮) | কাতিগোৰাহ মতিনগৰ পথৰ উন্নয়ন | ১০.০০ | ৪/১, ১০/১ |
| ৯) | গোমৰা নতনপুৰ পথৰ উন্নয়ন | ১০.০০ | ১/১, ২/২, ৩/৩, ৯/২ |
| ১১) | গোমৰা লিভাৰপুটা পথৰ উন্নয়ন | ৭.০০ | ৩/২, ৫/৫ |
| ১১) | ভাঙ্গাবাজাৰ বিদ্যাৰতনপুৰ চতাইপুল পথৰ উন্নয়ন | ১০.৬০ | ১০/১, ১২/১ |
| ১২) | পালৈ দৰবাৰ বৰজালেঙ্গা পথৰ উন্নয়ন | ১৭.৫০ | ২/৫, ৭/১, ৭/৩, ৯/৩, ১৩/১, ১৫/১ |
| ১৩) | উদৰবন্দ বাছকান্দি পথৰ উন্নয়ন | ১৭.৫০ | ১/৩, ৬/১, ১১/৪, ১২/১ |
| ১৪) | কাবুগঞ্জ পালংঘাট পথৰ উন্নয়ন | - | - |
| ১৫) | শিলচৰ শিলডুবি পথৰ উন্নয়ন | ৫.০০ | ৪/১ |
| | | ১৯৮.৫০ | ৩৩ খন |

Annexure-V (B)

## তৰাবিহীন প্ৰশ্ন নং ২৭ (গ) প্ৰশ্নৰ সামগ্ৰীৰ তালিকা

বিষয় ঃ বিশ্ববেংকৰ টকা
শ্ৰীশৰৎ বৰকটকী, বিধায়ক
ডাঃ অৰ্ধেন্দু কুমাৰ দে, বিধায়ক।

**প্ৰশ্নঃ** (গ) বিশ্ববেংকৰ আচঁনিৰ যোগেদি কি কি সামগ্ৰী কিনা হৈছে? (কিমান টকাৰ কিনা হৈছে, সদনত তালিকা দাখিল কৰিব)

**উত্তৰ ঃ** (গ) বিশ্ব বেংকৰ আচঁনিৰ যোগেদি তলত উল্লেখ কৰা সামগ্ৰী সমূহ কাষত দিয়া মূল্যৰ হিচাব মতে কিনা হৈছে।

| ক্ৰমিক নং | সামগ্ৰীৰ বিৱৰণ | | হাৰ | মূল্য | মন্তব্য |
|---|---|---|---|---|---|
| ১) | জৰীপ সামগ্ৰী ঃ- | | | | |
| i) | অট'মেটিক লেভেল যন্ত্ৰ | = ৯ টা | ২০,০০০.০০ টকা | ১,৮০,০০০.০০ টকা | উক্ত (i), (ii) আৰু (iii) ত উল্লেখিত সামগ্ৰীসমূহ মুখ্য অভিযন্তা, গঃ কাঃ বিঃ (পথ) ৰ CE/DEV/SIT/ARIASP/94/4. Dt.8.11.96 নিৰ্দেশ মতে কিনা হৈছে। |
| ii) | ক্ৰনমিটাৰ যন্ত্ৰ | = ৪২ টা | ৪৮০.০০ টকা | ২০,১৬০.০০ টকা | |
| iii) | এলুমিনিয়াম লেভেল ষ্টাফ | | | | |
| | (ক)৬ মিটাৰ দীঘল | = ৪৩ ডাল | ১৭২০.০০ টকা | ৭৩,৯৬০.০০ টকা | |
| | (খ)৫ মিটাৰ দীঘল | = ১২ ডাল | ১৫০০.০০ টকা | ১৮,০০০.০০ টকা | |

| | | | | | | | | |
|---|---|---|---|---|---|---|---|---|
| iv) | ডাম্পি লেভেল যন্ত্ৰ | = | ৩৭ টা | ৬৪৫০.০০ | টকা | ২,৩৮,৬৫০.০০ | টকা | উক্ত (iv), (v) আৰু (vi) ত উল্লেখিত সামগ্ৰীসমূহ মুখ্য অভিযন্তা, গঃ কাঃ বিঃ (পথ)ৰ CE/DEV/S(T)/ARIASP/94/4, Dt.S 11/96 নিৰ্দেশ মতে কিনা হৈছে। |
| v) | জৰীপৰ বাবে ছাতি | = | ৫৩ টা | ২০৪৫.০০ | টকা | ১,০৩,৩৮৫.০০ | টকা | |
| vi) | জোখৰ বাবে শিকলি | = | ৩৭ টা | ৬৪৫০.০০ | টকা | ২,৩৮,৬৫০.০০ | টকা | |
| vii) | (a) মেটেলিক ফিটা | | | | | | | |
| | (ক) ৩০ মিটাৰ দীঘল | = | ৫৫ ডাল | ৩৬০.০০ | টকা | ১৯,৩০০.০০ | টকা | |
| | (খ) ১৫ মিটাৰ দীঘল | = | ৫৭ ডাল | ৩২৫.০০ | টকা | ১৮,৫২৫.০০ | টকা | |
| | (b) ষ্টিলৰ ফিটা | | | | | | | |
| | (ক) ৩০ মিটাৰ দীঘল | = | ৫২ ডাল | ৪৯০.০০ | টকা | ২৫,৪৮০.০০ | টকা | উক্ত (viii), (ix) আৰু (x) ত উল্লেখিত সামগ্ৰীসমূহ মুখ্য অভিযন্তা, গঃ কাঃ বিঃ (পথ)ৰ CE/DEV/S(T)/ARIASP/94/4, Dt.S 11/96 নিৰ্দেশ মতে কিনা হৈছে। |
| | (খ) ৩ মিটাৰ দীঘল | = | ৫২ ডাল | ৮০.০০ | টকা | ৪,১৬০.০০ | টকা | |
| | (গ) ২ মিটাৰ দীঘল | = | ৫১ ডাল | ৭০.০০ | টকা | ৩,৫৭০.০০ | টকা | |
| viii) | থিঅ'ডলাইট যন্ত্ৰ | = | ১১ টা | ১৬,১২৫.০০ | টকা | ৭,৩৮,৩৫৫.০০ | টকা | |
| ix) | কম্পাচ যন্ত্ৰ | = | ৬৭ টা | ১,২৯০.০০ | টকা | ৮৬,৪৩০.০০ | টকা | |
| x) | প্লেনটেবল যন্ত্ৰ | = | ৫২ খন | ৬,২৫০.০০ | টকা | ৩,২৫,০০০.০০ | টকা | |
| xi) | ৰেঞ্জিং ৰ'ড | = | ৭০ ডাল | ১৫০.০০ | টকা | ১০,৫০০.০০ | টকা | |

ANNEXURE



| | | | | | | | | |
|---|---|---|---|---|---|---|---|---|
| **২).** | **ছাউনীৰ বাবে সামগ্ৰী ঃ-** | | | | | | | |
| i) | জিপচি্ হাট | = | ১২ টা | ১২,২০০.০০ | টকা | ১,৪৬,৪০০.০০ | টকা | উক্ত (i) ,(ii) ত উল্লেখিত সামগ্ৰীসমূহ মুখ্য অভিযন্তা, গঃ কাঃ বিঃ (পথ) ৰ ( F DEV/5(T)/ARIASP 94/4. Dt.11/4/96 নিৰ্দেশ মতে কিনা হৈছে। |
| ii) | এলুমিনিয়াম ফিল্টাৰ | = | ৩৬ টা | ৪৮০.০০ | টকা | ১৭,২৮০.০০ | টকা | |
| **৩)** | **নক্সা অঁকা সামগ্ৰী ঃ-** | | | | | | | |
| i) | নক্সা অঁকা বোৰ্ড | = | ১৮ খন | ৮৪০.০০ | টকা | ১৫,১২০.০০ | টকা | |
| ii) | নক্সা অঁকা বোৰ্ডৰ ষ্টেণ্ড | = | ১৮ খন | ৭৮০.০০ | টকা | ১৪,০৪০.০০ | টকা | |
| iii) | নক্সা অঁকাৰ বাবে লগা যাবতীয় সামগ্ৰী সহ বাকচ | = | ১৮ টা | ১,৭২৫.০০ | টকা | ৩১,০৫০.০০ | টকা | |
| iv) | নক্সা অঁকাৰ বাবে ক্লিপ | = | ১৮পেকেট | ৬৩.০০ | টকা | ১,১৩৪.০০ | টকা | |
| v) | নক্সা অঁকাৰ বাবে পিন | = | ১২পেকেট | ১২.০০ | টকা | ১৪৪.০০ | টকা | |
| | | | | | | ১৫,৬২,৮২৮.০০ | টকা | |

| ক্ৰমিক নং | সামগ্ৰীৰ বিৱৰণ | | হাৰ | মূল্য | মন্তব্য |
|---|---|---|---|---|---|
| | | | | আগৰ পিছিৰ পৰা মুঠ ১৫,৬২,৮২৮.০০ টকা | |
| vi) | ডাইগ'নেল স্কেল | : ২৪ জন | ১৫.০০ টকা | ৩৬০.০০ টকা | |
| vii) | ড্ৰাফ্‌টমেনৰ বাবে টুল | : ২৪ খন | ১০২০.০০ টকা | ২৪,৮৪০.০০ টকা | |
| viii) | পেঞ্চিল | : ৩৬ ডজন | ৪২.০০ টকা | ১,৫১২.০০ টকা | |
| ix) | ৰবৰ | : ২৪ ডজন | ২৭.০০ টকা | ৬৮৪.০০ টকা | |
| x) | মিনি ড্ৰাফাৰ | : ১৮ ডজন | ৪৬০.০০ টকা | ৮,২৮০.০০ টকা | |
| xi) | নক্সা অকাঁৰ বাবে ১২ ৰঙৰ চিয়াহী | : ১৮ বাকচ | ১২০.০০ টকা | ২,১৬০.০০ টকা | |
| xii) | ফিল্ড বুক (জৰীপৰ বাবে) | : ৩০০ টা | ১৮.০০ টকা | ৫,৪০০.০০ টকা | |
| xiii) | লেভেল বুক (জৰীপৰ বাবে) | : ৩০০ টা | ১৮.০০ টকা | ৫,৪০০.০০ টকা | |
| xiv) | ঘুৰণীয়া কোণমান যন্ত্ৰ | : ৩৬ বাকচ | ২৫.০০ টকা | ৯০০.০০ টকা | |
| xv) | প্লটিং স্কেল | : ৩৬ বাকচ | ২০০.০০ টকা | ৭,২০০.০০ টকা | |
| xvi) | ছেট স্কোৱেৰ | : ৪২ জোৰ | ৭০.০০ টকা | ২৯৪০.০০ টকা | |
| xvii) | টি স্কোৱেৰ | : ১৮ ডাল | ৩০০.০০ টকা | ৫,৪০০.০০ টকা | |
| | | | সিপিঠিলৈ মুঠ | ১৬,২৭,৫০৮.০০ টকা | |

| ক্ৰমিক নং | সামগ্ৰীৰ বিৱৰণ | | হাৰ | | মূল্য | | মন্তব্য |
|---|---|---|---|---|---|---|---|
| | | | | | আগৰ পিছিৰ পৰা মুঠ | | ১৬,২৭,৫০৮.০০টকা |
| xviii) | ট্ৰেচিং কাগজ = | ৯০ টা | ৪২০.০০ | টকা | ৩৭,৮০০.০০ | টকা | উক্ত (৩) ৰ (i) ৰ পৰা (xx) লৈ উল্লেখিত সামগ্ৰীসমূহ অতিৰিক্ত মুখ্য অভিযন্তা, গঃ কাঃ বিঃ (পথ) ৰ CE/DEV ARIASP/ৰ ARIASP TB 50/96/2. Dt.5/2/97 নিৰ্দেশ মতে কিনা হৈছে। |
| xix) | এমোনিয়া কাগজ = | ৩৬ টা | ১১০.০০ | টকা | ৩,৯৬০.০০ | টকা | |
| xx) | এমোনিয়া বটল = | ১৮ টা | ১৭.০০ | টকা | ৩০৬.০০ | টকা | |
| ৩) | কম্পিউটাৰ সামগ্ৰী ঃ- | | | | | | |
| i) | এইছ চি, এল এইছ পি ইনফিইনটি ২০০০ 5DP/133= | ২ টা | ৫৮,৮৮৫.০০ | টকা | ১,১৭,৭৭০.০০ | টকা | |
| ii) | এইছ চি, এল এইছ পি ইনফিইনটি ২০০০ 5DP/133= | ২ টা | ৬৬,৬৪০.০০ | টকা | ১,৩৩,২৮০.০০ | টকা | উক্ত (৪) ৰ (i) ৰ পৰা (vi) লৈ উল্লেখিত সামগ্ৰীসমূহ অতিৰিক্ত মুখ্য অভিযন্তা, গঃ কাঃ বিঃ (পথ) ৰ (i) CE/DEV/ARIASP TB/55/96/5-A.dt.5.2.97. (ii) CE/DEV/ARIASP TB 55/96.dt.4.6.97. নিৰ্দেশ মতে কিনা হৈছে। |
| iii) | এইছ চি, এল এইছ পি ইনফিইনটি 482/x2 = | ১ টা | ২৮,০০০.০০ | টকা | ২৮,০০০.০০ | টকা | |
| iv) | ডটমেট্ৰিক্স প্ৰিন্টাৰ টি ভি এছ ই 155-9 পিন 132 ক'ল 300 চি,পি, এছ = | ৩ টা | ১৬,৯০৭.০০ | টকা | ৫০,৭২১.০০ | টকা | |

| ক্ৰমিক নং | সামগ্ৰীৰ বিৱৰণ | | | হাৰ | মূল্য | মন্তব্য |
|---|---|---|---|---|---|---|
| v) | লেজাৰ প্ৰিন্টাৰ এইছ পি লেঞ্জাৰ জেট্ 6 এম, পি 8 পি পি এম 600x600 দি পি জে A 4 লিও এল লেটাৰ এক্স মিদিয়া চাইজ লেজাৰ প্ৰিন্টাৰ | = | ৩ টা | ৪৮,৫০০.০০ টকা | ১,৪৫,৫০০.০০ টকা | |
| vi) | ডেছক্ জেট প্ৰিন্টাৰ এইছ পি ডেছক্ জেট ২০০ | = | ১ টা | ৮,৫০০.০০ টকা | ৮,৫০০.০০ টকা | |
| vii) | ডাটা মেচনৰ কম্পিউটাৰৰ যাবতীয় আহিলা-পাতি | = | ৪ টা | | ২,৭৬,০০০.০০ টকা | |

মুঠ ২৪,২৯,৩৪৫.০০ টকা

## যন্ত্ৰপাতিৰ তালিকা

| ক্রঃ নং | বিৱৰণ | সংখ্যা | মুঠ মূল্য (টকা) | মন্তব্য |
|---|---|---|---|---|
| ১) | ডিজেল জিপ | ১৫ খন | ৪৪,২১,৬৮৯.০০ | পোৰা গৈছে |
| ২) | ষ্টেটিক ৰোড ৰোলাৰ | ৫০ টা | ২,৭৬,০০,৯৯৬.০০ | ঐ |
| ৩) | ভ্ৰাইব্ৰেটৰী ৰোড ৰোলাৰ | ৬ টা | ৬০,৬৯,৩৮৩.০০ | ঐ |
| ৪) | এগ্রিকালচাৰেল ট্রেক্টৰ | ১২ খন | ৩০,৮৮,৯৩৫.০০ | ঐ |
| ৫) | ডিজেল জেনেৰেটিং চেট | ১২ চেট | ৮,৩৬,৯০৮.০০ | ঐ |
| ৬) | পাৱাৰ উইনচ্ (পাচঁ টন) | ৬ টা | ৪২,৮৫,৫৬০.০০ | ঐ |
| ৭) | মাৰুতি ভান | ৮ খন | ১৬,২৬,৮২৭.০০ | ঐ |
| ৮) | ৱাটাৰ ট্রেঙ্কাৰ (৩ কিলোলিটাৰ) কেপাচিটি | ১২ খন | ১৪,২৪,৪১৪.০০ | ঐ |
| ৯) | হটমিক্স্ প্লেন্ট (৬-১০ টন কেপাচিটি) | ১২ খন | ৩০,৮৮,৯৩৫.০০ | ঐ |
| ১০) | বোলডোজাৰ (১১ মেট্রিক টন) কিছুমান সঁজুলিৰ সৈতে | ২ টা | ২,৪১,০০,১৪৪.০০ | এতিয়ালৈ গুৱাহাটী পোৰা নাই। |
| ১১) | মটৰ গ্রেডাৰ কিছুমান সঁজুলিৰ সৈতে | ২ টা | | |
| | | মুঠ | ৭,৭১,০০,৬৮৩.০০ | |